দেওবৰীয়া খবৰ

২২ মাৰ্চ, ২০২০

# বিশ্ব জল দিৱস



**পা**নীয়ে প্ৰাণীৰ প্ৰাণ অৰ্থাৎ পানী অবিহনে কোনো প্ৰাণীয়েই জীয়াই থকা সম্ভৱ নহয়। সৌৰজগতৰ তৃতীয় গ্ৰহ পৃথিৱীয়েই হ'ল সকলো প্ৰাণীৰে একমাত্ৰ বসতিস্থল আৰু এইটো সম্ভৱ হৈছে কেৱল ইয়াত উপলব্ধ পানীৰ বাবে। পৃথিৱীৰ উপৰিভাগত তিনিভাগৰ দুভাগ পানী আৰু এভাগ মাটি। আমাৰ চাৰিওফালে পানীৰে আগুৰা হ'লেও কিন্তু বিশুদ্ধ খোৱাপানীৰ পৰিমাণ অতি কম। বৰ্ধিত জনসংখ্যা আৰু প্ৰদূষণৰ বাবে বিশুদ্ধ খোৱাপানীৰ উৎসবোৰ লাহে লাহে কমি আহিছে ফলত জনসাধাৰণে নিৰ্মল পানী বিচাৰি চাৰিওফালে হাবাথুৰি খাবলগীয়া অৱস্থা হৈছে।

জীৱন ধাৰণ আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে পানী অতি জৰুৰী। খেতিবাতি বা কৃষিকৰ্মত পানীৰ প্ৰয়োজনীয়তাৰ উপৰি পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু অনাময় ব্যৱস্থাৰ বাবেও পানী অপৰিহাৰ্য। বিশুদ্ধ খোৱাপানীৰ অভাৱ আৰু নিম্নমানৰ অনাময়ৰ অপৰ্যাপ্ততাই বিশ্বজুৰি খাদ্য, বাসস্থান আৰু শিক্ষাৰ সা-সুবিধাৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলায়। আনহাতে পানীৰ লগত জড়িত প্ৰাকৃতিক দুৰ্যোগ, বান, ছুনামী, সামুদ্ৰিক ধুমুহা আদিয়ে প্ৰাণী জগতৰ প্ৰতি প্ৰবল ভাবুকিৰ সৃষ্টি কৰি আহিছে।

*৬ পৃষ্ঠাত চাওক*




# সুখৰ ঠিকনা বিচাৰি

**● মুনিন্দ্ৰ বৈশ্য**

**সু**খৰ সন্ধানত যুগে যুগে অব্যাহত আছে মানুহৰ অবিশ্ৰান্ত যাত্ৰা। বিচাৰি ফুৰিছে সুখৰ ঠিকনা। বনৰীয়া জীৱন এৰি সভ্যতাৰ আৰম্ভণি কৰাৰ পৰা সভ্যতাক এক ঈৰ্ষণীয় উচ্চতাত উত্তৰণ কৰি মানৱৰ কালজয়ী ইতিহাস ৰচনালৈকে— এই সুদীৰ্ঘ সময়ছোৱাত অব্যাহত আছে মানুহৰ এই অবিৰত যাত্ৰা। সুখৰ সংজ্ঞা আৰু উৎস বিচাৰি মানুহে নিৰন্তৰ অধ্যয়ন কৰি আহিছে। বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰিছে। কৰিছে গৱেষণা। কিন্তু পদে পদে যেন উজুতি খাইছে। কাৰণ সকলো প্ৰচেষ্টাই যেন আধৰুৱা হৈছে। বিভিন্ন সময়ত বিভিন্ন মহান কবি-সাহিত্যিক, পণ্ডিত-দাৰ্শনিক, মনোবিজ্ঞানী-বিজ্ঞানী, ধৰ্মগুৰু-আধ্যাত্মিক গুৰুসকলে এই সম্পৰ্কে বিভিন্ন মত আগবঢ়াই আহিছে। পিছে সুখৰ ঠিকনাত শাশ্বত ৰূপ দিবলৈ সক্ষম হোৱা বুলি আপুনি ভাবেনে?

আজি কেইবছৰমান আগতে এই জটিল আৰু গুৰুত্বপূৰ্ণ বিষয়টোত জড়িত হৈ পৰিছে ৰাষ্ট্ৰসংঘই। পৰাৰে কথা। কাৰণ মানুহ মাত্ৰেই সুখপিপাসু। সুখ মানুহৰ মৌলিক প্ৰয়োজন। কেৱল জিডিপি বৃদ্ধি বা অন্যান্য দিশত লাভ কৰা ঈৰ্ষণীয় সফলতাই এখন দেশৰ প্ৰগতিৰ মাপকাঠি হ'ব নোৱাৰে। তাত সাধাৰণ জনতাৰ সুখ-শান্তিয়েও দস্তুৰমত প্ৰাধান্য পাব লাগিব। সেয়ে ৰাষ্ট্ৰসংঘৰ তদানীন্তন সচিব বেন কি মুনে কৈছিল— 'সুখ এক সাৰ্বভৌমিক মানৱ অধিকাৰ। মানৱৰ সুখ আমাৰ চিৰকাম্য। বিশ্বসুখ প্ৰতিষ্ঠাৰ বাবে আমি প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।' উল্লেখনীয় যে বিশ্বৰ অন্য দেশসমূহে ধনী হোৱাৰ প্ৰতিযোগিতাত দিনে-নিশাই দৌৰি থকা সময়ত আজিৰ পৰা প্ৰায় অৰ্ধশতিকা পূৰ্বেই ভূটানৰ দৰে এখন সৰু দেশে দেশখনৰ প্ৰগতিৰ খতিয়ান ল'বলৈ জনতাৰ সুখ-শান্তিৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি দূৰদৰ্শিতাৰ পৰিচয় দিছিল। বিশ্বৰ বুকুত ভূটানেই প্ৰথমখন দেশ যিয়ে GNH (Gross National Happiness)ৰ প্ৰচলন কৰি বিশ্ববাসীক চিন্তাৰ উদ্ৰেক দিছিল।

২০১২ চনত নিউয়ৰ্কত এখন উচ্চ পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হৈছিল। বিষয় আছিল 'Wellbening and happiness.' Defining a new economic paradigm'. য'ত বিশ্বৰ প্ৰায় আটাইকেইখন দেশে প্ৰতিনিধিত্ব কৰিছিল। উক্ত সন্মিলনীৰ সিদ্ধান্ত অনুসৰি ২০১৩ চনৰ পৰা ৰাষ্ট্ৰসংঘই ২০ মাৰ্চৰ দিনটো সমগ্ৰ বিশ্বতে 'আন্তঃৰাষ্ট্ৰীয় সুখ দিৱস' হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লয়। তদুপৰি ধৰাৰ বুকুত পোন প্ৰথমবাৰৰ বাবে 'World Happiness Report' প্ৰস্তুত কৰাৰ সিদ্ধান্ত লোৱা হ'ল। ইয়াৰ জৰিয়তে কোন দেশৰ জনতা কিমান সুখী সেয়া নিৰ্ধাৰণ কৰা হ'ব। সেই অনুসৰি মুঠ চৈধ্যতা প্ৰধান কাৰক এখন দেশৰ নাগৰিকৰ সুখৰ মূল আধাৰ হিচাপে বাছি ল'লে। যথা ব্যৱসায় আৰু আৰ্থিক, যোগাযোগ আৰু প্ৰযুক্তি, শিক্ষা আৰু পৰিয়াল, খাদ্য আৰু আশ্ৰয়, চৰকাৰ আৰু ৰাজনীতি, ধৰ্ম আৰু নৈতিকতা, পাৰিপাৰ্শ্বিক আৰু ক্ষমতা, যাতায়াত ব্যৱস্থা, নাগৰিকৰ সুৰক্ষা, সংস্থাপন, স্বাস্থ্য, কৰ্মসংস্কৃতি, ভাৱনা আৰু আৱেগ।

১৫০খন দেশৰ মাজত চলোৱা সমীক্ষাৰ অন্তত ২০১৩ চনত World Happiness Report'ৰ প্ৰথমখন তালিকা প্ৰকাশ কৰা হ'ল। য'ত ডেনমাৰ্কে শীৰ্ষস্থান লাভ কৰে। নৰ'ৱে আৰু ছুইজাৰলেণ্ডে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে। তাৰ পাছৰে পৰা এই তালিকা ধাৰাবাহিকভাৱে প্ৰকাশ পাই আহিছে। ২০১৯ চনত ফিনলেণ্ডে প্ৰথম স্থান লাভ কৰে। মন কৰিবলগীয়া যে ২০১৩ চনৰ পৰা ২০১৯ চনলৈ বিশ্বৰ আটাইতকৈ শক্তিশালী আৰু ঐশ্বৰ্যশালী দেশ আমেৰিকাৰ নাম এবাৰো লিপিবদ্ধ নহ'ল শীৰ্ষৰ পাঁচটা স্থানত। আটাইতকৈ জনবহুল দেশ চীনৰ অৱস্থাও একে। আনহাতে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ ভাৰতৰ অৱস্থা আৰু পুতৌলগা— পাকিস্তান আৰু বাংলাদেশতকৈও বহুত তলত লিপিবদ্ধ হৈছে ভাৰতৰ নাম। ২০১৯ চনৰ তথ্য মতে ১৪০ নম্বৰত। দেশখনে এইক্ষেত্ৰত ২০১৩ চনৰ পৰা ক্ৰমাগতভাৱে পশ্চাদমুখী গতি ধৰিছে।

ৰাষ্ট্ৰসংঘই যি প্ৰক্ৰিয়া (প্ৰক্ৰিয়াটোত সুখৰ আধাৰ হিচাপে বিবেচনা কৰা কাৰকবোৰক একপ্ৰকাৰ সুখৰ উৎস হিচাপে লোৱা হৈছে) অৱলম্বন কৰি সুখৰ মাত্ৰা নিৰ্ধাৰণ কৰিছে, সি কিমানদূৰ গ্ৰহণযোগ্য, ত্ৰুটিমুক্ত বা বাস্তৱসন্মত কোৱা টান। কিন্তু উক্ত সমীক্ষাত এই কথা স্পষ্ট হৈছে যে যিহেতু একেখন দেশেই ধাৰাবাহিকভাৱে তালিকাত শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হোৱা নাই, গতিকে ইয়াৰ পৰাই বুজিব পাৰি যে সুখ কাৰো বাবেই স্থায়ী নহয়। সেইদৰে আজিৰ বিশ্বত আটাইতকৈ শক্তিশালী, বিত্তশালী, ঈৰ্ষণীয় জিডিপি, দুৰ্নীতিমুক্ত, সুশাসন, বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভূত উত্তৰণেৰে জয়জয় ময়ময় হৈ পৰা দেশেও। যিহেতু প্ৰথম পাঁচটা স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা নাই, গতিকে টকা-পইচা, ধন-সম্পত্তি, উন্নতমানৰ বিজ্ঞান-প্ৰযুক্তি আৰু উচ্চ জিডিপিও সুখৰ উৎস হিচাপে বিবেচিত হোৱা নাই। আনহাতে প্ৰায় বাৰমাহে বৰফাবৃত্ত হৈ থকা তথা সুৰাৰ ৰাগীত বিলীন হৈ থকা লোকৰ দেশ আইচলেণ্ডৰ নামো যেতিয়া সুখী দেশৰ তালিকাৰ শীৰ্ষৰ পাঁচটা স্থানৰ ভিতৰত লিপিবদ্ধ হৈছে, গতিকে ই নিশ্চয়কৈ চিন্তা উদ্ৰেককাৰী বিষয়। সেইদৰে তালিকাত পাকিস্তানৰ দৰে সন্ত্ৰাসজৰ্জৰ দেশখনৰ ভাৰতবৰ্ষতকৈ আগত স্থান লাভ, চীনৰ দৰে আটাইতকৈ বেছি জনবহুল দেশৰ সন্মানজনক স্থান লাভত ব্যৰ্থতা, আটাইতকৈ কম জনবহুল দেশৰো স্থান লাভত ব্যৰ্থতা আদি তথ্যই এনে কিছুমান ইংগিত বহন কৰিছে, যিয়ে ৰাষ্ট্ৰসংঘই

*৮ পৃষ্ঠাত চাওক*

সপ্তাহটোৰ
## ৰাশিফল

আচাৰ্য সপ্তৰ্ষি *ফোন ঃ ৯১০১৫-৫৭৫১০*

**মেষ ৰাশি ঃ** আকস্মিকভাৱে দুই-এটা পৰিৱৰ্তনৰ সন্মুখীন হ'ব পাৰে। আৰ্থিক দিশত সামান্য উন্নতিৰ সম্ভাৱনা দেখা যায়। স্বাৰ্থপৰ ব্যক্তিৰ সৈতে থকা সম্পৰ্কই আপোনাক বিপদত পেলাব। যান-বাহন চলাওঁতে সতৰ্ক হ'ব। বন্ধুৰ সৈতে সংঘাত হোৱাৰ লগতে আদালতৰ কাষ চাপিবলগীয়া হ'ব পাৰে।

**বৃষ ৰাশি ঃ** নতুন কৰ্মসংস্থানৰ সুযোগ আহিব। আত্মীয়ৰ সৈতে তীব্ৰ সংঘাত হ'ব পাৰে। সাংসাৰিক অশান্তি বৃদ্ধি পোৱাৰ সম্ভাৱনা দেখা যায়। আৰ্থিক দিশত বৰ বিশেষ পৰিৱৰ্তন আশা নকৰিব। শাৰীৰিক অসুস্থতাৰ বাবে সমস্যাৰ সন্মুখীন হ'ব। শুভ সংখ্যা ৬ আৰু শুভ ৰং বগা।

**মিথুন ৰাশি ঃ** কৰ্মক্ষেত্ৰৰ উন্নতিৰ গতি অব্যাহত থাকিব। নিজৰ বাবে নিৰ্ধাৰিত দায়িত্ব পালনৰ ক্ষেত্ৰত চমকপ্ৰদ দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব। কফজনিত ৰোগ, তেজ দূষিত হোৱাৰ ফলত হ'ব পৰা শাৰীৰিক অসুস্থতা আহিব পাৰে। ঘৰুৱা জীৱনত মাজে মাজে অশান্তি হোৱাৰ সম্ভাৱনা দেখা যায়। প্ৰেমত জটিলতাৰ সন্মুখীন হ'ব। শুভ সংখ্যা ১ আৰু শুভ ৰং আকাশী।

**কৰ্কট ৰাশি ঃ** মানসিক অস্থিৰতা বাঢ়িব পাৰে। আৰ্থিক দিশত বৰ বিশেষ সমস্যা হ'ব নালাগে। গৃহ নিৰ্মাণ অথবা নতুন বাসগৃহত প্ৰৱেশৰ আশা পূৰণ হ'ব। ব্যৱসায়ত কিছু স্থবিৰতা অথবা লোকচান হোৱাৰ সম্ভৱনা। শাৰীৰিক দুৰ্বলতাৰ লক্ষণ স্পষ্ট হ'ব। শুভ সংখ্যা ৯ আৰু শুভ ৰং সেউজীয়া।

**সিংহ ৰাশি ঃ** আলহী-অতিথিৰ সংখ্যা বাঢ়িব পাৰে। পৰিয়ালৰ কোনোবা সদস্য কিবা বিপদৰ সন্মুখীন হোৱাৰ আশংকা প্ৰবল। হঠাতে যথেষ্ট পৰিমাণত টকা-পইচা খৰচ কৰিবলগীয়া পৰিস্থিতি আহিব পাৰে। নিজৰ স্বাস্থ্যৰ প্ৰতিও চকু দিব। বিশৃংখল জীৱনযাত্ৰাই আপোনাক বিপদত পেলাব। শুভ সংখ্যা ৩ আৰু শুভ ৰং হালধীয়া।

**কন্যা ৰাশি ঃ** আৰ্থিক উন্নতিৰ পথ মুকলি হ'ব। কৰ্মক্ষেত্ৰত নিজৰ দক্ষতা প্ৰদৰ্শনত পূৰামাত্ৰাই সফল হ'ব। নতুন চাকৰিত নিযুক্তি লাভৰ সম্ভাৱনা উজ্জ্বল। বন্ধু অথবা সহকৰ্মীৰ সৈতে তীব্ৰ সংঘাত হ'ব পাৰে। বেছিকৈ বিশ্বাস কৰা মানুহেই আপোনাক প্ৰতাৰণা কৰিব। শাৰীৰিক অসুস্থতাৰ লগতে দুৰ্ঘটনাৰ আশংকা প্ৰবল হৈ আছে। শুভ সংখ্যা ৫ আৰু শুভ ৰং কমলা।

**তুলা ৰাশি ঃ** ঘৰুৱা জীৱনত প্ৰায়ে অশান্তি হ'ব। নতুন কামৰ প্ৰতি আগ্ৰহ কমিব পাৰে। পৰিয়ালৰ সদস্য, ঘনিষ্ঠ বন্ধুৰ সৈতে সংঘাত হোৱাৰ সম্ভাৱনা দেখা যায়। ব্যৱসায়ত লোকচান নহ'লেও লাভৰ পৰিমাণ একেবাৰে কমি যাব পাৰে। অসুখ অথবা আন ধৰণে শাৰীৰিক কষ্টৰ সন্মুখীন হ'ব। শুভ সংখ্যা ৭ আৰু শুভ ৰং গুলপীয়া।

**বৃশ্চিক ৰাশি ঃ** মাজে মাজে শাৰীৰিক দুৰ্বলতাত ভুগিব পাৰে। নতুন ব্যৱসায় আৰম্ভ কৰাৰ সুযোগ আহিব। ভাতৃ-ভগ্নীয়ে আপোনাক অপমান কৰিব পাৰে। আৰ্থিক সমস্যা আঁতৰাব পৰাকৈ উপাৰ্জনৰ পথ লাভ কৰিব। আকস্মিকভাৱে ভ্ৰমণৰ সুযোগ আহিব পাৰে। শুভ সংখ্যা ৪ আৰু শুভ ৰং বগা।

**ধনু ৰাশি ঃ** সাংসাৰিক অশান্তিয়ে বিপদ মাতিব পাৰে। আৰ্থিক দিশত বৰ বিশেষ সমস্যা নহ'ব যদিও হাতত টকা-পইচা বেছি নাথাকিব। দুৰ্ঘটনাৰ আশংকা প্ৰবল হৈ আছে। চাকৰিয়ালৰ পদোন্নতিত বাধা আহিব পাৰে। নতুন বন্ধু লাভ কৰাৰ সম্ভৱনা। কিবা জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে। শুভ সংখ্যা ৯ আৰু শুভ ৰং বেঙুনীয়া।

**মকৰ ৰাশি ঃ** আৰ্থিক দিশত কিছু উন্নতি হ'ব। উপাৰ্জনৰ স্থায়ী পথ এটা লাভ কৰিব। বন্ধুৰ বাবে আপোনাৰ বিপদ হ'ব পাৰে। দুৰ্ঘটনাৰ আশংকা প্ৰবল হৈ আছে। অসুখত ভোগাৰ আশংকাও প্ৰবল হৈ আছে। ৰাজনীতিত জড়িতসকলৰ ক্ষেত্ৰত সফলতা লাভৰ সম্ভাৱনা উজ্জ্বল। শুভ সংখ্যা ৪ আৰু শুভ ৰং আকাশী।

**কুম্ভ ৰাশি ঃ** শাৰীৰিক অসুস্থতাৰ পৰা মুক্ত হ'বলৈ যত্ন কৰক। মানসিক অস্থিৰতা আৰু কিবা ভয়-শংকাই আপোনক আচ্ছন্ন কৰি ৰাখিব পাৰে। সাধাৰণভাৱে হ'লেও কিবা দুৰ্ঘটনাৰ আশংকা দেখা যায়। সঘনাই ভ্ৰমণ কৰাৰ ফলত আপোনাৰ অসুখৰ মাত্ৰা বাঢ়িব পাৰে। আত্মীয় অথবা বন্ধুৱে আপোনাক মানসিক কষ্ট দিব পাৰে। শুভ সংখ্যা ৮ আৰু শুভ ৰং নীলা।

**মীন ৰাশি ঃ** গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব ল'বলগীয়া হ'ব পাৰে। কৰ্মক্ষেত্ৰত আকস্মিকভাৱে পদোন্নতিৰ সুযোগ আহিব। ধৰ্ম-সম্পত্তিকলৈ কাৰোবাৰ সৈতে সংঘাত হোৱাৰ সম্ভাৱনা। ঘৰুৱা সমস্যাও বাঢ়িব পাৰে। স্বাস্থ্য বৰ বিশেষ ভাল বুলি ক'ব নোৱাৰি। শুভ সংখ্যা ১ আৰু শুভ ৰং হালধীয়া।

*(বিশদ পৰামৰ্শ আৰু প্ৰতিকাৰৰ বাবে যোগাযোগ কৰিব পাৰে)*

# আধ্যাত্মিকতা ঃ নতুন মূল্যাংকনৰ ভাবনা

• পুলিন ডেকা

শৃংখলাবদ্ধ জীৱন আৰু মানৱীয় প্ৰমূল্যবোধৰ ভেটি গঢ়াৰ ক্ষেত্ৰত ধৰ্মৰ ভূমিকা সৰ্বাত্মক। হৃদয়ৰ সৈতে হৃদয়ৰ সম্পৰ্ক স্থাপন, উত্তৰণ আৰু বিকাশৰ পাৰিপাৰ্শ্বিকতা গঢ়ি তোলাৰ দিশত আধ্যাত্মিক চেতনাই মানুহক দি আহিছে প্ৰেৰণা। ভাৰতীয় সভ্যতা আৰু সংস্কৃতি সনাতন আধ্যাত্মিক চেতনাৰে বিধৌত। পাঁচহেজাৰ বছৰীয়া আমাৰ আধ্যাত্মিক সৌধে বিশ্ব মানৱক শান্তি, প্ৰগতিৰ পথ দেখুৱাই আহিছে। ভাৰতীয় সনাতন প্ৰমূল্যবোধ মানৱীয় অনুভূতিৰ চৰম প্ৰকাশ। মানৱীয় চৰিত্ৰ, দৰ্শন আৰু ইতিবাচক চিন্তাৰ প্ৰসাৰ সাধনত আধ্যাত্মিক জীৱন শৈলীয়ে সত্যৰ অন্বেষণ কৰিবলৈ শিকায় আহিছে। সনাতন আধ্যাত্মিক চিন্তা ইয়াৰ চূড়ান্ত প্ৰকাশ। ভাৰতীয় সংস্কৃতিৰ শ্ৰদ্ধা আৰু ভক্তিৰ প্ৰকাশ 'নমস্কাৰ'ৰ বিজ্ঞানসন্মত স্বৰূপ বিশ্ব মানৱে উপলব্ধি কৰিবলৈ সক্ষম হৈছে। তেনে বহু উপাদানে ভাৰতীয় আধ্যাত্মিক জীৱন ধাৰাক শক্তিশালী কৰি আহিছে। ধৰ্ম এটা নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাতে ব্যাপ্ত হৈ নাথাকে। মানুহৰ মনন জগতক আকৰ্ষণ কৰে বাবে ইয়াৰ বিশ্বজনীন আবেদন থাকে। এই কথাও দৃঢ়তাৰে কোৱাৰ প্ৰয়োজন আছে যে সভ্যতাৰ নিৰ্মাণত আধ্যাত্মিকতাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই সম্পৰ্ক বাণিজ্যিক সম্প্ৰসাৰণ আৰু শিক্ষা প্ৰসাৰৰ লগতো সম্পৰ্কিত হৈ আহিছে। সোতৰশ শতিকাৰ পৰা ধৰ্মৰ সম্প্ৰসাৰণ আধুনিকতাৰ অংশ হৈ পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণে যি উত্তৰ আধুনিকতাৰ পাতনি মেলিছে তাত ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰযুক্তিয়ে যি যন্ত্ৰৱৎ জীৱনৰ সন্ধান দিছে তাত মানৱীয় কলাৰ উৎকৰ্ষ সাধনৰ উপাদান বিচাৰি পোৱা নাযায়। উত্তৰণ আৰু হৃদয়ৰ সন্ধান একে পথেৰে গতি নকৰিলে মানৱীয় সত্তাই পূৰ্ণাংগ ৰূপ পাব নোৱাৰে। সেইবাবে বিজ্ঞান আৰু আধ্যাত্মিকতা সমান্তৰালভাৱে গতি কৰিবই লাগিব।

সমসাময়িক বিশ্বনায়নৰ যি প্ৰক্ৰিয়া সূচনা হৈছে, তাৰ সৈতে আজিৰ বিশ্ব মানৱ সংযুক্ত হৈ পৰিছে। ব্যাপক ৰূপান্তৰৰ মাজেৰে ধৰ্মই বিশ্বজনীনতা লাভ কৰিছে আৰু আজি মানুহে আধ্যাত্মিকতাৰ প্ৰয়োজনীয়তা সম্পৰ্কত বিজ্ঞানসন্মত পৰ্যালোচনা কৰিবলৈ লৈছে। কিন্তু মানুহৰ বাবে এয়াই দুৰ্ভাগ্যজনক যে আধ্যাত্মিকতাৰ প্ৰকৃত সত্যক উপলব্ধি কৰাৰ ক্ষেত্ৰত বুজনসংখ্যক লোক ব্যৰ্থ হৈ পৰিছে। ঐহিক, জাগতিক ধাৰণাৰ সৈতে ধৰ্মনিৰপেক্ষতাৰ সম্পৰ্ক আছে। আধুনিক বিশ্বৰ ধৰ্মৰ প্ৰয়োজনীয়তা নৱপ্ৰজন্মৰ মাজত সঠিকৰূপে তুলি ধৰিব নোৱাৰা বাবেই উন্নয়নৰ ক্ষেত্ৰতো নেতিবাচক প্ৰভাৱ পৰিছে। আধুনিকতা এক ধাৰণা। পৰিৱৰ্তনৰ লগে লগে পৰম্পৰা,আধুনিকতাৰ ৰূপ সলনি হয়। অতীতৰ পৰা পৃথক আৰু নিজস্ব সংস্কৃতিক সংযোজিত উপাদানৰ তুলনামূলক অধ্যয়নৰ জৰিয়তে আধুনিকতাৰ প্ৰকৃতি নিৰ্ণয় কৰি আহিছে। আমি কেতিয়াবা অতীতমুখী প্ৰৱণতা,পশ্চিমীয়া দেশৰ ৰূপান্তৰ আৰু ভিন্ন ৰাষ্ট্ৰৰ মানুহৰ জীৱন ধাৰাৰ দিশবোৰক সামৰি আধুনিকতাৰ সংজ্ঞা নিৰূপণ কৰি আহিছো। পশ্চিমীয়া বিশ্ব বিশেষকৈ ইউৰোপীয়ান বিদ্বান সমাজে আধুনিক সমাজ নিৰ্মাণৰ ভেটি স্থাপন কৰে। সোতৰশ শতিকাৰ পৰা ওঠৰশ শতিকাৰ ভিতৰত পৰম্পৰাগত ইউৰোপীয়ান সংস্কৃতি প্ৰসাৰিত কৰাৰ বাবে চলোৱা প্ৰয়াসৰ লগতে ধৰ্মীয় সম্প্ৰসাৰণ এটা অংশ হৈ পৰে। ইউৰোপৰ বৌদ্ধিক ইতিহাস মানেই সম্প্ৰসাৰণ আৰু ধৰ্মান্তৰণৰ সৈতে সংপৃক্ত। আধুনিক ইউৰোপৰ ইতিহাস মানেই বৌদ্ধিক জাগৰণ। সভ্যতাৰ ধাৰণাক প্ৰগাঢ় কৰাৰ ক্ষেত্ৰত ধৰ্মক বিশেষ স্থান দি আহিছে। বিশ্বজনীন ধৰ্মান্তৰৰ প্ৰক্ৰিয়াটো দুটা দিশেৰে গতি কৰিছে। উপান্ত শ্ৰেণী আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীক আকৰ্ষিত কৰাৰ কৌশল আৰু আনটো হৈছে বলপূৰ্বক ধৰ্মান্তৰ। তৃতীয় বিশ্বৰ দেশসমূহত আধুনিক ধৰ্মীয় দৃষ্টিভংগী আৰু ধৰ্মনিৰপেক্ষতা অতি জটিল প্ৰক্ৰিয়াৰ মাজেৰে গতি কৰিছে।

ধৰ্মক ৰূপান্তৰৰ মাজেৰে গতি কৰাৰ প্ৰৱণতা মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা আছে। শিক্ষা, অৰ্থনৈতিক উপকৰণ ইত্যাদি বিষয়সমূহো ধৰ্মৰ অন্তৰ্ভুক্ত হৈ পৰিছে। ধৰ্মৰ বাণীসমূহে মানুহৰ বিবেকক আলোড়িত কৰি জ্ঞানৰ সন্ধান দিব পাৰে। ইউৰোপৰ পৰা তৃতীয় বিশ্বলৈ ধৰ্মৰ সম্প্ৰসাৰণবাদে অৰ্থনৈতিক দিশটোক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰাটো আধুনিক বিশ্বৰ বাবে লক্ষণীয় বিষয় হৈ পৰিছে। এক অধ্যয়নৰ পৰা দেখা যায় যে ইউৰোপ আৰু বিশ্বৰ অন্যান্য প্ৰান্তৰ মাজত যি সংঘাত, সেয়া আভ্যন্তৰীণ আৰু বাহ্যিকভাৱে ভৱিষ্যমুখী সপোন হিচাপে অভিহিত কৰিব পাৰি। আভ্যন্তৰীণ ঐতিহাসিক যি প্ৰক্ৰিয়া, সেয়া সম্প্ৰসাৰণ আৰু আধুনিকতাৰ সংমিশ্ৰণ যাৰ জৰিয়তে পশ্চিমীয়া আধুনিকতাৰ সৈতে পৰিচয় কৰি দিয়াৰ সৰ্বাত্মক প্ৰয়াস আৰম্ভ হয়। বহু ক্ষেত্ৰত পৰম্পৰাগত বিশ্বৰ ওপৰত আধুনিকতা বলপূৰ্বকভাৱে জাপি দিয়া হৈছে। মানুহৰ চিন্তাৰ জগতখন এইক্ষেত্ৰত সলনি কৰিবলৈ সক্ষম হৈছে। কিন্তু সমাজৰ উচ্চ শ্ৰেণীৰ জনসাধাৰণে আধুনিক জীৱনবোধক আঁকোৱালি ল'লেও আধ্যাত্মিক চিন্তা-চৰ্চাক প্ৰভাৱিত কৰিব পৰা নাছিল। বৰং তেওঁলোকে নিজস্ব ধৰ্মক যুক্তিনিষ্ঠ আৰু বিজ্ঞানসন্মতভাৱে চাবলৈ শিকালে। কিন্তু ধৰ্মনিৰপেক্ষ দেশসমূহত আধুনিক ধৰ্ম সম্প্ৰসাৰণৰ দিশটোক অভিযানসদৃশ হিচাপে লোৱা হৈছে যদিও সি এক প্ৰকাৰ ধৰ্মীয় শীতল অভিযান হিচাপে অভিহিত কৰিব পাৰি। ৰজাৰ শাসনৰ ফলত ধৰ্মান্তকৰণৰ যি প্ৰক্ৰিয়া চলিছিল, সেয়া আছিল বলপূৰ্বকভাৱে কৰা এক পদক্ষেপ আছিল। ওঠৰ শতিকাত উন্নয়নশীল দেশসমূহত নতুন মাত্ৰাৰ সংযোজন হয়। এই কাম যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল যদিও শিক্ষা আৰু সামাজিক উন্নয়নৰ প্ৰক্ৰিয়াৰে ধৰ্মান্তকৰণৰ প্ৰক্ৰিয়াটো ঊনৈশ শতিকাত অধিক তীব্ৰ হৈ পৰে। প্ৰতিখন ৰাষ্ট্ৰৰ আঞ্চলিক ভাবনাক গুৰুত্ব প্ৰদান কৰি থলুৱা ভাষা-সাহিত্য-সংস্কৃতি প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্ব আৰোপ কৰে। ঔপনিৱেশিক শাসনে এইক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলায়। শিক্ষা ব্যৱস্থাৰে যথেষ্টসংখ্যক লোকক সামৰি লোৱাৰ ফলত মানুহে ধৰ্মক এফালে শৃংখলাবদ্ধ জীৱন গঢ়াৰ সমল হিচাপে লয়। আধ্যাত্মিক জীৱনবোধৰ যিবোৰ বাণী আছে, তাক শিক্ষিতচামে গভীৰ জ্ঞানবোধেৰে গ্ৰহণ কৰে। ভাৰতীয় জীৱন ধাৰাত যিবোৰ মহাকাব্য আছে, সেইবোৰে সমগ্ৰ মানৱজাতিক আগুৱাই নিব পৰা শক্তি আছে।তেনে শক্তিৰ আৱিষ্কাৰৰ বাবে আজিৰ প্ৰজন্ম আগুৱাই আহিছে। ধৰ্মক মানৱজাতিৰ সুৰক্ষাৰ বাবে প্ৰয়োগ কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। কিয়নো বিজ্ঞান আৰু প্ৰযুক্তিয়ে আজিৰ মানৱক প্ৰমূল্যবোধৰ সন্ধান দিব পৰা নাই। মানুহে মানুহৰ বাবে কাম কৰিবলৈ হ'লে জীৱন বীক্ষাত সামগ্ৰিকতা আনিব লাগিব। এই বিশ্বৰ কোনো ধৰ্মই নিঃসংগ হৈ থাকিব নোৱাৰে। সহনশীলভাৱে আগুৱাই সমগ্ৰ বিশ্বক আলোকৰ বাটেৰে নিবই লাগিব। ইয়াৰ বাবে নতুন প্ৰজন্মক সুন্দৰৰ সন্ধান কৰিবলৈ শিকাব লাগিব আধ্যাত্মিকতাৰ মাজেৰে।

*ফোন ঃ ৭০০২৫১৬৯৮৩*

# তোমাৰ সন্ধানত

• ববিতা বৰা

আজিৰ দৰে সেইদিনাও, তোমাক মই
পাত পাত কৈ বিচাৰিছিলো। মোৰ সন্ধানী
চকুযুৰিৰে দৃষ্টিৰে ঢুকি পোৱালৈকে
চলাথ কৰিছিলো তোমাক বিচাৰি।
বতাহত তোমাৰ সুগন্ধি পাওঁ নেকি
অনুসন্ধান কৰিছিলো মই। ...তুমি
দেখা নাছিলা সম্ভৱ। নেদেখিও নেদেখাৰ
ভাও জুৰিছিলা মোক, মই নাজানো। মই কিন্তু
তোমাক দেখুৱাবলৈ বিচৰা নাছিলো মোৰ
অন্তৰাত্মাৰ চিৰদিনীয়া আতংক
ধুমুহাজাক।...তোমাৰ দৃষ্টিৰ পৰা আঁতৰত
আছিলো মই স্ব-
ইচ্ছাই। মই জানো।
মই জানো তুমি মোক বিচাৰি নাহা, মোৰ
উপস্থিতি অনুভৱ কৰিবলৈ তোমাৰ নাই
ইন্দ্ৰিয় শক্তি। মই জানো। মই সকলো জানো
তোমাৰ বিষয়ে। তথাপি নজনাৰ অভিনয়
কৰাটো মোৰ বাঞ্ছনীয়..তোমাৰ বাবে। মন
বহা নাছিল ক'তো, হেজাৰ চেষ্টা কৰাৰ
পাছতো অচেতন মনটোৰ পৰা তোমাক
আঁতৰত ৰখাটো মোৰ বাবে অসাধ্য। মই
তোমাক চিনি নোপোৱাৰ অভিনয় কৰিবলৈ
সদায় নিজকে প্ৰস্তুত কৰো, তোমাৰ
সুগন্ধিবোৰত এলাৰ্জী আছে বুলি ছটিয়াই ল'ব
নুখুজিলেও মই কাহানিও আঁতৰাব পৰা নাই
এইবোৰৰ মাদকতা..।
মই জানো। তুমি সেইদিনা আহিছিলা।
তোমাৰ উপস্থিতি অনুভৱ কৰিছিলো মই
কলিজাৰ প্ৰতিটো নিভৃত কোণত। তেজ হৈ
বৈ থকা তুমিবোৰ বাউলী হৈছিল, যেন
চকমকাই উঠিছিল মোৰ দুনয়ন...মই নজনাকৈ
সুখী সুখী যেন অনুভৱ কৰিছিলো ক্ষন্তেকৰ
বাবে, তুমি অহাৰ আগমনৰ বেলিকা। অথচ
মই তোমাক দেখুৱাবলৈ অপাৰগ আছিলো।
তুমি দেখা নাছিলা সম্ভৱ। নেদেখিও
নেদেখাৰ ভাও জুৰিছিলা মোক, মই
নাজানো। কথাবোৰ পাহৰিবলৈ চেষ্টা কৰো,
জুই হৈ জ্বলাবলৈ চাওঁ, পানী হৈ বোৱাই
পেলাবলৈ চাওঁ তোমাৰ লগত জড়িত
প্ৰতিটো বিষয়।...প্ৰতিটো বিষয়। যিবোৰৰ
আৰম্ভণি আৰু শেষ তুমিয়েই। মই
নিবিচৰাকৈ তুমি শিমলু হৈ ফুলা, মোৰ হৃদয়
গহ্বৰৰ গোপন পথবোৰত আবিৰ
সানা...অই...এইদৰে ফাগুন হৈ নাহিবা, কোঙা
হৃদয়খন লঠঙা হয় প্ৰতিদিনে। তুমি
কেতিয়াও বুজিয়েই নাপালা। ...নাভাবো বুলি
ভাবিলেও, তোমাকেই ভাবো। নাচাওঁ বুলি
ভাবিলেও হৃদয়ৰ দাপোণত প্ৰতিফলিত হয়
তোমাৰেই ছবি, যদিওবা তোমাক নেদেখা
পাৰ হৈ গ'ল মোৰ ক'তটা উকা বসন্ত।
মই সেইদিনাও তোমাক চাইছিলো,
তুমি দেখা নাপালা, সেইদিনাও মই
তোমাৰ চকুৰ আঁৰত মচি ল'লো মোৰ
চকুপানী, তুমি দেখা নাছিলা সম্ভৱ। নে
দেখিও নেদেখাৰ ভাও জুৰিছিলা মই
নাজানো কিম্বা আজিলৈকে নাজানিলো...।
আস কি যে বিষাদ সময়। তোমাৰ শুভ
মুহূৰ্তত মই আজি সুখৰ অভিনয় কৰিব পৰা
নাই। তোমাক শুভেচ্ছা দিবলৈ মই শব্দবোৰ
ফুটাব পৰা নাই...কিয় কিছুমান কথাই আগুচি
ধৰিছে মোক, এনে লাগিছে যেন মই
আগতেও পাই আহিছো এই একেই সময়
একেই অনুভৱ আৰু যেন ক্ষন্তেক পাছতেই
আচন্দ্ৰাই আৱৰি ধৰিব মোক, আৰু মই যেন
শুই পৰিম চিৰনিদ্ৰাত।...চিৰনিদ্ৰাত।
জানিছিলো, তুমি আগৰবাৰৰ দৰে, সেইদিনা
আহিছিলা, আহিবা। মই তোমাৰ উপস্থিতি
অনুভৱ কৰিছিলো, কৰিম। তুমি দেখা নাছিলা
সম্ভৱ। মই দেখিছিলো, তোমাৰ চকুত
এটোপালো চকুপানী নাছিল, আগৰবাৰৰ
দৰেই। মই দেখিছিলো তোমাক। পলক
নপৰাকৈ চাই আছিলো। অতীত আৰু
বৰ্তমানৰ তোমাৰ মুখখনৰ সাদৃশ্য বিচৰাত
ব্যস্ত আছিলো মই। প্ৰচণ্ড উত্তাপে মোৰ
শৰীৰটো দহি নিছিল যদিও মোৰ ভাবনাবোৰ
তোমাতেই সীমাবদ্ধ আছিল সেইদিনাও।
বিঃদ্ৰঃ দুচকু মেলি দেখো, সপোন
আছিল। উশাহ লৈ আছো মই। জীয়াই
আছো। ফাগুনৰ বতৰ। কিছুমান ভাবনাই
পুৱাতেই মনটো চেপি ধৰিলে মোৰ। হঠাৎ
টেবুলত পৰি ৰোৱা চিঠিখনলৈ চকু পৰিল।
মনত পৰিল আজি এখন বিয়া আছে।
চিঠিখন খুলি লৈ পাত্ৰৰ নামটো দেখি
ক্ষন্তেকৰ বাবে থৰ হৈ পৰিলো মই। আকৌ
দুৰাৰোগ্য কেন্সাৰৰ দৰে লগ নেৰা এই তুমি
তুমি লগা কথাবোৰ পাগুলিবলৈ ল'লো
মই।...মই আগতেই যেন পাই আহিছো
এইবোৰ সময়, মই যেন জী আহিছো এইবোৰ
সময়, ঘটনা আৰু মই যেন জানো ঘটনাৰ
শেষত হ'ব লগা শেষ পৰিস্থিতি

('Deja vu' হৈছে ফ্ৰান্স ভাষাৰ এটা শব্দ। ই এনেকুৱা এটা অনুভৱ, য'ত আমাৰ এনেকুৱা লাগে যেন আমি বৰ্তমানত ঘটি থকা কিছুমান ঘটনা আগতেই পাই আহিছো, জী আহিছো...বৈজ্ঞানিকসকলৰ মতে ই কোনো স্মৰণ শক্তি বা ঐশ্বৰিক শক্তি নহয়। তেওঁলোকৰ মতে Deja vu সেইসকলে বেছিকৈ অনুভৱ কৰে যিসকল শাৰীৰিকভাৱে দুৰ্বল, বিশেষকৈ প্ৰেছাৰজনিত কাৰণত।)

*ফোন ঃ ৬০০০৮-১০৬০০*

# পিতনিৰ বোকা, আকাশৰ তৰা আৰু ভাল খবৰৰ দুৰ্ভিক্ষ

**● প্ৰশান্ত কুমাৰ বৰা**

**পো**নপটীয়াকৈ ক'বলৈ গ'লে খবৰৰ কোনো ভাল-বেয়া নাথাকে বা থকাতো অনুচিতো। কিন্তু বিগত কেইটামান দশক ধৰি আমাৰ ৰাজ্যখনত যি হাৰত অমানৱীয়, অসভ্য কাণ্ডবোৰ লেঠাৰি নিছিগাকৈ ঘটি থাকিবলৈ লৈছিল বা আমাৰ প্ৰচাৰ মাধ্যমবোৰেও যিদৰে টেঙাই যোৱাকৈ এনেকুৱা কটা-মৰা, খোৱা-কামোৰা খবৰবোৰকে হিয়া উজাৰি বিলোৱাৰ পৰম্পৰা আৰম্ভ কৰিছিল— এই ঘটনা-পৰিঘটনাবোৰেই আমাক খবৰৰ শ্ৰেণীবিভাজনৰ ধাৰণা আনি দিছে। পুৱাৰ বাতৰি-কাকতখন মেলিলেই, ৰেডিঅ'টো বা টেলিভিছনটো বজালেই যি হাৰত গেলা আলুত মাখি পৰাদি বিশ্ব-ব্ৰহ্মাণ্ডৰ দ'ম দ'ম বেয়া খবৰে হেঁচা মাৰি ধৰে, তাতকৈ দেশ-দুনীয়াৰ খবৰ নৰখাকৈ আপোনভোলা হৈ কোনোমতে পেটে-ভাতে দুবেলা-দুমুঠি খাই চুকৰ ভেকুলীৰ দৰে চুকতে সোমাই থকাই ভাল বুলি আজিকালি জমা-বুজা মানুহেও ভাবিবলৈ লৈছে।

খ্যাতনামা চলচ্চিত্ৰ পৰিচালক তথা চিন্তাবিদ সঞ্জীৱ সভাপণ্ডিতে এবাৰ এটা প্ৰবন্ধত এনেধৰণৰ এটা অভিজ্ঞতাৰ কথা কৈছিল। বহিঃজগতৰ পৰা বিচ্ছিন্ন হৈ চিনেমাৰ শ্বুটিঙৰ কামত কাৰ্বি পাহাৰৰ দুৰ্গম অঞ্চল এটাত দীৰ্ঘদিন ধৰি সোমাই থকা সেই দিনকেইটা যে তেওঁৰ বাবে ব্যস্ততাৰ মাজতো জীৱনৰ আটাইতকৈ স্বস্তিৰ দিন আছিল, সেই কথা তেওঁ খুউব সুন্দৰকৈ বৰ্ণনা কৰিছিল। পুৱাৰ কাকতখনে কঢ়িয়াই অনা দেশ-দুনীয়াৰ বাবে বিংকৰা ভয়াৱহ খবৰবোৰৰ অত্যাচাৰৰ পৰা আঁতৰত থাকি, প্ৰচাৰ মাধ্যমৰ কৃপাত মানুহে যমৰ নগৰ বুলি ভবা 'জুইলগা' কাৰ্বি পাহাৰৰ অভ্যন্তৰৰ শান্ত-সমাহিত ৰূপৰ আতিথেয়তাত ডুব গৈ তেওঁ যেন স্বৰ্গসুখতহে আছিল। পিতনিৰ বোকা এৰি আকাশৰ তৰা চাবলৈ সময় নোপোৱা বুলি কথাশিল্পী হোমেন বৰগোহাঞিয়েও এবাৰ অসমৰ প্ৰচাৰ মাধ্যমক সমালোচনা কৰিছিল। সস্তীয়া প্ৰচাৰৰ আশাত আমাৰ প্ৰায়খিনি সাংবাদিকেই মানুহে পঢ়ি ভাল পাব পৰা 'মছলাযুক্ত খবৰ'ৰ সন্ধানত প্ৰতিনিয়ত ব্যস্ত থকাৰ বাবে প্ৰকৃত খবৰবোৰ সদায়েই আঁৰত থাকি যায়। সেই প্ৰকৃত খবৰবোৰৰ মাজতে আমি বিচৰা বহু ভাল খবৰো থাকে। যিবোৰ আমাৰ অলক্ষিতেই ৰৈ যায় প্ৰচাৰ মাধ্যমৰ গাফিলতিত। আমাৰ বাতৰি কাকত আৰু নিউজ চেনেলসমূহে প্ৰচাৰ কৰি থকা বা-বাতৰিবোৰে ৰাজ্যখনৰ বাস্তৱ ছবিখন দাঙি নধৰে। জনজীৱনৰ প্ৰকৃত চিত্ৰ এখন ফুটাই তোলাত সেয়ে আমাৰ প্ৰচাৰ মাধ্যম এইপৰ্যন্ত বাৰুকৈয়ে ব্যৰ্থ।

এটা কথা সত্য যে আমাৰ ৰাজ্যখনত সমস্যাৰ শেষ নাই। সেয়ে তাৰ লগত সামঞ্জস্য থকা খবৰৰো আদি-অন্ত নাই আৰু সমস্যাৰ খবৰ যেতিয়া সেইবোৰতো স্বাভাৱিকতেই নেতিবাচক খবৰেই হ'ব। আমাৰ বহু সাংবাদিক বন্ধুৱেই আক্ষেপ কৰে যে মানুহে তেওঁলোকক অকল নেতিবাচক খবৰবোৰহে যোগান ধৰাৰ বাবে জগৰীয়া কৰে। কিন্তু গোটেইখনতে যেতিয়া দুৰ্নীতি-অনীতিৰেই ৰাজ চলে, তেতিয়া তেওঁলোকে সেইবোৰ আওকাণ কৰি ভাল খবৰ বিচাৰি ফুৰিলে হ'বনে? ভাল খবৰ ছপাব লাগে বুলিয়েই সেই সমস্যাকেন্দ্ৰিক খবৰবোৰ নছপালে হ'বনে? নেতিবাচক খবৰবোৰ প্ৰচাৰ নকৰিলে সেই খবৰৰ নায়কসকলে ওভতগোৰে নাচিবলৈ আৰম্ভ নকৰিবনে? সাংবাদিক বন্ধুসকলৰ এনে আক্ষেপ উলাই কৰিব পৰা নহ'লেও আপত্তিবিহীনো নহয়। দিনে-নিশাই প্ৰচাৰ মাধ্যমত প্ৰচাৰ হৈ থকা দুৰাচাৰ-অনাচাৰৰ শত-সহস্ৰ বাতৰিয়েও দুৰাচাৰীবোৰৰ গাৰ নোম এডালো লৰাব নোৱাৰা অৱস্থা এটা যে আজি গঢ় লৈ উঠিল তাৰ কাৰণনো কি? আচলতে সংবাদ মাধ্যমৰ বাতৰিয়ে স্পৰ্শ কৰিব নোৱাৰাকৈ এইসকলৰ প্ৰতিৰোধ ক্ষমতা (এণ্টিবডি) গঢ় লৈ উঠিছে। হোৱাই-নোহোৱাই কথাটোৱে প্ৰতি চৰটো-ভুকুটো-খকৰামুকুটিটো খাই থকা ল'ৰাই পাছত বাপেক-মাকৰ হেজাৰ মাৰকো মাৰ নোবোলাৰ দৰেই অৱস্থা হৈছে এইসকলৰো। এই অৱস্থা এটা সৃষ্টিৰ বাবে প্ৰচাৰ মাধ্যমেও দায়ৰ হাত সাৰিব নোৱাৰে। মাথোঁ পণ্যৰ দৰে খবৰ বিপণনৰ স্বাৰ্থকে খামুচি নাথাকি জনস্বাৰ্থৰ খাতিৰত অনিয়মৰ অভিযোগবোৰক ন্যায়ালয়ৰ মজিয়াত প্ৰতিষ্ঠা কৰি অপৰাধীক শাস্তিৰ দুৱাৰমুখলৈ ঠেলি পঠোৱাত যদি আমাৰ প্ৰচাৰ মাধ্যমে অলপ হ'লেও অৰিহণা যোগালেহেঁতেন, প্ৰচাৰিত বাতৰিবোৰলৈ তেতিয়া অপৰাধীহঁতে অলপ হ'লেও সমীহ কৰিলেহেঁতেন।

যি গুৰুত্বৰে আমাৰ প্ৰচাৰ মাধ্যমে নেতিবাচক খবৰবোৰ প্ৰচাৰ কৰে, সেই একেই গুৰুত্বৰে বা তাতকৈ অধিক উৎসাহেৰে যদি তেওঁলোকে সৎ-কৰ্তব্যপৰায়ণ লোকসকলৰ ইতিবাচক খবৰবোৰো প্ৰচাৰ কৰিলেহেঁতেন, 'ভাল কাম কৰিলেও স্বীকৃতি নোপোৱা ঠাই' বুলি থকা আমাৰ ৰাজ্যখনৰ দুৰ্নামটোৰ কেতিয়াও সৃষ্টি হ'বলৈ নাপালেহেঁতেন। সততাৰে কাম-কাজ কৰিবলৈ, কৰ্তব্যৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ, নিজকে ফাঁকি নিদিবলৈ আৰু

*৮ পৃষ্ঠাত চাওক*

# পথহীন পথটো আৰু...

**● নীলিম আকাশ কাশ্যপ**

**ব**তাহ এছাটি সোমাই আহিছে খিৰিকীয়েদি। কুৰুকি কুৰুকি মোৰ চুলিৰ মাজেৰে সোমাই গৈছে বতাহজাক। অদৃশ্য, তথাপি মই অনুভৱ কৰিছো, যেন বতাহজাকৰ লিহিৰি আঙুলিয়ে মোৰ চুলি লিৰিকি-বিদাৰি আলফুলে মৰম যাচিছেহি মোক। বেয়া লগা নাই ভালেই লাগিছে হয়তো শীত যাবলৈ ওলোৱাৰ পৰৰ বাবেই, বতাহৰ স্পৰ্শ মোৰ বেয়া লগা নাই। এনে লাগিল যেন বতাহজাকত লাগি আছে এটা চিনাকি সুবাস। তেনেই চিনাকি। খিৰিকীখন মেলি চালো। আকাশখনত সেন্দূৰ বোলাই ফুলি উঠিছেহি ঘৰৰ চৌহদৰ পলাশজোপা।

মই মোৰ মাজত ফাগুন বিচাৰি পাওঁ সদায়েই। প্ৰতিপল। আকাশৰ নীলিমাত মই সপোনৰ এষণা কৰো। কিন্তু অহৰহ খেদি ফুৰা সেই নীলিমা ফাগুনৰ দ্যুলোকত নাথাকে। ফাগুনৰ আকাশ ৰঙা নীলাৰ উপস্থিতি থাকে তাত, কিন্তু প্ৰাধান্য কম। পলাশ, মদাৰ ফুলৰ উপস্থিতিত নীলাকাশ তেজৰঙা হৈ পৰে। তথাপি তেজৰঙা হ'লেও ফাগুনৰ আকাশ মোৰ বেয়া নালাগে। ফাগুনী আকাশখন প্ৰিয়তমাৰ সেন্দূৰীয়া কপাল যেন লাগে মোৰ। হয়তো সেয়েই নীলাকাশত সপোনৰ এষণা কৰা মইজনে ফাগুনী আকাশৰ প্ৰতি থকা সদ্ভাৱকো উলাই কৰিব নোৱাৰো। ফাগুনত শুকান হয় ধৰা। গছ লঠঙা হয় ফাগুনতে। বৰ ভাল পাওঁ মই। কিয়নো তাতেই যে মই মোক বিচাৰি পাওঁ। উভতি চালে দেখো, ফাগুনৰ শুকান ধৰা আৰু লঠঙা গছ মোৰ জীৱনলৈ আহিছিল। এচাম কেঁকোৰা আৰু সেইবোৰৰ সৈতে খোজ কঢ়া আন এচাম একে প্ৰজাতিৰ জীৱই শব্দ-বৰ্ণৰ বাক্‌ময় মোৰ স্বপ্নৰ সেউজীয়া পথটো আধাতে কাটি পেলাইছিল সৌ সিদিনা। উভতিম বুলি তেওঁলোকে হয়তো ভাবিছিল। খোজ আগুৱাটো তেওঁলোকে হয়তো বিচৰা নাছিল। কিন্তু আধাতে কাটি পেলোৱা পথটোৰ সিপাৰ গোলাপবোৰে মোক যে অহৰহ হাতবাউলি মাতে। কি কৰো মই। তেনে পৰতেই ফাগুনে মোক প্ৰেৰণা দিয়ে। স্মৃতিত ডুবি পুনৰ উপলব্ধি কৰিছো, বীৰদৰ্পে থিয় হৈ থকা লঠঙা গছবোৰ মোৰ বাবে সেই সময়ত হৈ পৰিছিল অনুপ্ৰেৰণাৰ অমল উৎস। এজাক বৰষুণ আহিলেইতো গছবোৰৰ পুনৰ আপোন হ'বহি সেউজীয়া পাত। এজাক বৰষুণলৈ গছবোৰে ধৈৰ্যসহকাৰে ৰৈছিল। ময়ো ফাগুনৰ লঠঙা গছবোৰৰ দৰে ধৈৰ্যৱান হ'বলৈ পণ লৈছিলো। হোৱাৰ চেষ্টা কৰিছিলো। উভতি অহা নাছিলো, আনকি ৰৈও নাথাকি গৈ আছিলো 'পথহীন পথটো'ৰে। বৰষুণজাক আহিছিল। অপেক্ষাৰ অন্তত বৰষুণজাক আহিছিল। তিতাই পেলাইছিল মোক। ধুই নিছিল পথটোৰ কিছু কাঁইট। শব্দ-বৰ্ণৰ বাক্‌ময় মোৰ স্বপ্নৰ সেউজীয়া পথটোৰে খোজ কাঢ়িয়েই আছো। দূৰৈত সৌৱা চিকুণ বাঁহীৰ সুৰ। ফাগুনে আপোনাক বাঁহীৰ সুৰ শুনাই উন্মাদ কৰাৰ দৰেই মোকো উন্মাদ কৰিছে সেই সুৰে। আগুৱাইছো সুৰটোৰ সন্ধানত। নাজানো, চিকুণ বাঁহীৰ সুৰেৰে জীপাল ব'হাগ নামৰ আস্থানটো ক'ত।

ফাগুনে প্ৰতিশ্ৰুতি জানে। পণ কঢ়িয়াই সেউজীয়া ধৰাৰ। উপহাৰ দিয়ে বসন্ত— আপোনাক, মোক, আমাক। সেয়ে ফাগুনক কাবৌ কৰিছো, সদায় দি যাবি অনুপ্ৰেৰণা। কোনে জানে ফাগুন, কিজানি তোৰ প্ৰেৰণাতে কাইলৈ উপস্থিত হওঁহি খোজ কাঢ়ি থকা পথৰ ব'হাগ নামৰ সেই আস্থানটোত। কথা দে ফাগুন, সদায় সপোন দেখুৱাম বুলি। কৈ যা ফাগুন, সদায় প্ৰেৰণা দিম বুলি। ঐ ফাগুন, দে না কথা। কৈ যা অ' ফাগুন প্ৰেৰণা দিম বুলি সেউজীয়া সপোনৰ।

*ফোন ঃ ৭৬৬৩৯-৫৭৫০০*

# আন্তৰিকতা একতাৰ ভেটি

**● নাজিয়া হাচান**

**আ**মি বাৰু এই কথাষাৰ ভাবি চাওঁ নে, তেজৰ সম্পৰ্কৰ উপৰি আমাৰ জীৱনত যে আত্মাৰ সম্পৰ্কই বিশেষ ভূমিকা গ্ৰহণ কৰে? আত্মাৰ সম্পৰ্কৰ আন এক অৰ্থ হ'ল আন্তৰিকতা। এই আন্তৰিকতাই আমাৰ সম্পৰ্কবোৰৰ ভেটি দৃঢ় কৰে। এই আন্তৰিকতাই ধৰ্মৰ মাজত ভেদ নাৰাখে। এই আন্তৰিকতাই জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে একতাৰ গঢ় দিয়ে।

এজনৰ প্ৰতি ৰখা গুৰুত্ব, ব্যৱহাৰ-আচৰণত আমাৰ আন্তৰিকতা প্ৰকাশ পায়। আন্তৰিকতা থকা বা নথকায়ে গৈছে কোনো এক সম্পৰ্ক বৰ্তি থকা বা বিচ্ছেদ ঘটাৰ মূল কাৰণ। ব্যস্ততা আৰু দায়িত্বই বহু সময়ত আমাক আপোন মানুহখিনিক গুৰুত্ব দিবলৈ পাহৰাই ৰাখে। বন্ধু-বান্ধৱীৰ লগতে আমি পৰিয়ালৰ মানুহখিনিৰ লগত সময় দিবলৈ সময়ৰে কেতিয়াবা বাৰুকৈ হয়তো অভাৱ অনুভৱ কৰো। মানুহে সম্বন্ধতকৈ গুৰুত্ব আজিকালি নিজৰ কৰ্মক্ষেত্ৰত দিব খোজে। কিন্তু কোনো ব্যক্তিৰ প্ৰতি আমাৰ যদি আন্তৰিকতা থাকে তেন্তে আমি নিশ্চয় ব্যস্ততাৰ মাজতো তেওঁৰ বাবে কিঞ্চিত সময় বিচাৰি উলিয়াও। শাৰীৰিকভাৱে নোৱাৰিলেও ফোন মেছেজৰ জৰিয়তেও সেইসকলক আমি সময় দিওঁ। আৰু তেনেদৰে ৰখা গুৰুত্বই হৈছে সম্বন্ধবোৰ জীয়াই ৰখাৰ মূল সঞ্জীৱনী!

গতিকে সম্পৰ্কসমূহ যিয়ে নহওক, তাত যদি আমাৰ আন্তৰিকতা নাথাকে, সেই সম্পৰ্কসমূহৰ মুল্য শূন্যসদৃশ। কেতিয়াবা এনেকুৱাও হয় যে আমি এজনক দিয়া সময়ৰ মূল্য আনজনে সেই আন্তৰিকতাৰে গ্ৰহণ নকৰা যেন তেওঁৰ ব্যৱহাৰত প্ৰকাশ পায়। তেনেক্ষেত্ৰত একপক্ষীয়ভাৱে ৰখা সেই সম্পৰ্কবোৰ লাহে লাহে শিথিল হৈ আহে। আৰু তেতিয়াই বিচ্ছেদৰ শিপাডালে এদিন গজালি মেলে। আদৰ-সন্মানবোৰ দুয়োপক্ষৰ মাজত সমভাৱে থাকিলেহে সম্পৰ্কটো বৰ্তি থকা সম্ভৱ হয়। তেজ-মঙহৰ সম্বন্ধ মানেই আমাৰ মনলৈ আহে বংশৰ আপোন মানুহসকল। মনৰ মিল থকা মানুহখিনি। সুখ-দুখত নিজা হেজাৰ কামক আওকাণ কৰি সঁহাৰি জনাব পৰা ব্যক্তিসকল। এইসকল মানুহৰ বাহিৰে আমাৰ বহুতেই আন সম্বন্ধসমূহৰ পৰা সঁহাৰিৰ আশা নিশ্চয় কমকৈ ৰখা হয়। কিন্তু এই ধাৰণা আমাৰ শুদ্ধ নহ'বও পাৰে। যদি তেজ-মঙহৰ সম্পৰ্কত আত্মাৰ টান নাথাকে তেন্তে সেই সম্পৰ্কৰ পৰা আশা কৰা মতে সঁহাৰি সঠিক সময়ত আমি নাপাবও পাৰো। সেয়া লাগিলে আমাৰ পেটৰ সন্তান,

সহোদৰ ভাই-ভনী, মা-দেউতাৰ দৰে তেজ-মঙহৰ সম্বন্ধই বা হওক। কাৰণ আত্মাৰ মিলনেহে সকলো সম্বন্ধ কাষলৈ চপাই আনিব পাৰে। আন্তৰিকতা নথকা সম্পৰ্কবোৰত আপোন মানুহৰ বাবে সময় উলিয়াবলৈ আমি সময় নাপাওঁ। তাৰ বিপৰীতে ইণ্টাৰনেটৰ যুগত ভাৰ্চুৱেল পৃথিৱীখন কোনো ব্যক্তিক বিপদৰ সময়ত তেজ দান কৰিবলৈও বিনাদ্বিধাই আমি আগবাঢ়ো। তাতেই আমাৰ প্ৰকৃত আন্তৰিকতা প্ৰকাশ পায়। সেয়েতো বৰ্তি থাকে অচিনাকিজনৰ মাজতো আমাৰ ঘনিষ্ঠ সম্বন্ধ! সেয়েতো দিব পাৰো সেই মানুহখিনিক হেজাৰ ব্যস্ততাৰ মাজত থাকিও আমাৰ মূল্যৱান সময়! অসহায় পৰিস্থিতিত আগুৱাব খোজো এখন সঁহাৰিৰ হাত।

আহকচোন আমি এজনে আনজনক ক্ষন্তেক সময় দিওঁ। কিছু ক্ষণ বহি আপোন মানুহখিনিৰ সৈতে কথা পাতো। ব্যস্ততাবোৰৰ অজুহাত দি সম্বন্ধবোৰক যেন ভাগ নকৰো। তেজৰ সম্পৰ্কৰ লগতে নিস্বাৰ্থৰে সকলোৰে মাজত একমাত্ৰ আত্মাৰ সম্পৰ্ক ৰাখো। কাৰণ আন্তৰিকতায়ে যে সকলো সম্বন্ধ বৰ্তি থকাৰ মূল চাবিকাঠি! সেই আন্তৰিকতাই হওক আঁউসীৰ আন্ধাৰ পথত এমুঠি যেন জোনাক!

*ফোন ঃ ৯৪১৭১-১০১৭৮*

# স্ব-নিয়োজনৰ ভিন্ন পথবোৰ

**• স্মৃতিৰেখা সোণোৱাল**

**এ**তিয়া আৰু কোনেও চৰকাৰী চাকৰিলৈ আশাপালি বৈ নাথাকে। চৰকাৰী চাকৰি এটাক এতিয়া কোনেও সোণৰ কণী পৰা হাঁহ এজনী ভাবি তাৰ পাছত দৌৰি দৌৰি নিজৰ জীৱনৰ বহুমূলীয়া সময়বোৰ অপব্যয় নকৰে কাৰণ বুজি উঠিছে— দুৰ্নীতিৰে ভৰা অসমৰ চৰকাৰী বিভাগসমূহত চৰকাৰী চাকৰি এটা পোৱাটো পৰ্বতত কাছ কণী বিচৰাৰ লেখীয়া। যিকেইজনে স্বচ্ছভাৱে চাকৰি এটাত নিয়োজিত হৈছে— সেয়া এপাচি শাকত এটা জলকীয়া মাথোঁ। চাকৰিপ্ৰত্যাশীসকলৰ এই হতাশাই এতিয়া অন্য মোৰ লৈছে। এই হতাশাই বিপ্লৱৰ ৰূপ লৈছে; স্ব-নিয়োজনৰ বিপ্লৱ। এইচাম যুৱক-যুৱতীয়ে এতিয়া নিজৰ ভিতৰৰ যোগ্যতাখিনিক চৰকাৰী অফিচৰ টেবুলে টেবুলে প্ৰদৰ্শন কৰি নাথাকি নিজৰ ভিতৰৰ যোগ্যতাখিনিক নিজে বিচাৰি উলিয়াই নিজ নিচা আৰু দক্ষতা অনুসৰি উপাৰ্জনৰ পথ প্ৰশস্ত কৰি লৈছে আৰু বাটৰ সকলো বাধা অতিক্ৰমি নিজে কাটি লোৱা বাটেৰে আগুৱাই গৈছে। চৰকাৰী চাকৰি এটা পোৱাৰ মোহক অথবা নোপোৱাৰ হতাশাক এইসকলে কেতিয়াবাই জয় কৰি পেলাইছে। চৰকাৰী চাকৰি এটাৰ নিৰাপত্তাখিনিক জেদলৈ পৰিৱৰ্তন কৰিছে।

বৰ্তমান কেনেকুৱা এখন ক্ষেত্ৰত নিজকে নিয়োজিত কৰিলে আৰ্থিকভাৱে টনকিয়াল হ'ব পাৰি- সেয়া নিজৰ ৰুচি, অৰ্হতা-দক্ষতা, সময়-পৰিৱেশ আৰু মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰে। এটা কথা ঠিক যে জীৱনকালত অকল অৰ্থ উপাৰ্জন কৰা আৰু নিজে নিয়োজিত ক্ষেত্ৰখনত সন্তুষ্টিৰে আগবাঢ়ি যোৱা— এই দুটা সম্পূৰ্ণ বেলেগ বেলেগ কথা। অৰ্থ মানুহে বিভিন্ন ধৰণেৰে উপাৰ্জন কৰিব পাৰে, কিন্তু সন্তুষ্টি থকা ক্ষেত্ৰ এখন বিচাৰি উলিওৱাটো কঠিন। আত্মপ্ৰশান্তিত দুটকা ঘটাৰ সুখ আৰু মনত অশান্তি লৈ দুটকা ঘটাৰ সুখ বেলেগ। যদি কৰ্মক্ষেত্ৰখনত জড়িত হৈ নিজৰ ৰুচি-অভিৰুচিবোৰ বাদ দিবলগীয়া নহয়, তেনেহ'লে সেই সুখ অনন্য, অন্যথা কতই অৰ্থ উপাৰ্জনৰ নামত নিজক হেৰুৱাই পেলাইছে। নিজক হেৰুৱাই ঘটা শ শ টকাই জানো মানুহক মানসিক শান্তি আনি দিব পাৰে? সেয়ে আমি পোন প্ৰথমেই এনেকুৱা এখন ক্ষেত্ৰৰ স'তে জড়িত হ'ব লাগিব য'ত আমাৰ মানসিক সন্তুষ্টিবোৰো বাহাল থাকে, আমাৰ ভিতৰৰ সৃষ্টিশীল মনটোও অটুট থাকে আৰু যিখন ক্ষেত্ৰত আমি নিয়োজিত হ'লে ভৱিষ্যতে পোৱাৰ পৰিমাণতকৈ হেৰুৱাৰ পৰিমাণ বেছি নহয় কাৰণ এজন অতি ধনৱান ব্যক্তিয়েও যেতিয়া নিজৰ ভিতৰৰ আনন্দবোৰ হেৰুৱাই পেলায়, তেতিয়া বেংকত সাঁচি থোৱা বহু টকায়ো মনত শান্তি ঘূৰাই আনিব নোৱাৰে। নিৰ্মম সত্য কথা— টকা সকলোকে লাগে, সকলোতে লাগে। মেডিকেলত টকা লাগে, খাবলৈ টকা লাগে, পিন্ধিবলৈ লাগে, মানুহ মৰিলেও টকা লাগে, ল'ৰা-ছোৱালীক পঢ়োৱাবলৈ টকা লাগে, নিজৰ বিলাসিতাবোৰ পূৰ কৰিবলৈও আমাক টকা লাগে, দান-দক্ষিণা দিবলৈও আমাক টকা লাগে...। টকাৰ মহিমা অপাৰ। এই পৃথিৱীত হয়তো এনে ভাগ্যৱান খুউব কম ওলাব যি টকা আৰ্জনৰ সমানে সমানে মনৰ সন্তুষ্টিও বাহাল ৰাখিব পাৰিছে। বহুতে নিজৰ ৰুচি-অভিৰুচিবোৰক আধাতে জলাঞ্জলি দি নিজৰ বাবে, পৰিয়ালৰ বাবে অৰ্থ উপাৰ্জন কৰিব লগা হৈছে।

সেয়া যি কি নহওক, গাধয়ো শ্ৰম কৰে আৰু সিংহয়ো নিজৰ পেট ভোক গুচাবলৈ চিকাৰৰ নামত কম কষ্ট নকৰে কিন্তু গাধৰ জীৱন কেতিয়াও সিংহৰ দৰে আৰামদায়ক নহয়। সিংহই এবাৰ চিকাৰ কৰি এবেলা শুই-বহিয়ে কটাই দিয়ে কিন্তু গাধই দিনৰ দিনটো অমানুষিক শ্ৰম কৰিও সুখৰ চকামকা পোহৰকণ দেখা নাপায়। এইখিনিতে প্ৰয়োজন শ্ৰমৰ লগতে বুদ্ধিমত্তাৰ। সিংহৰ চিকাৰত শ্ৰমৰ লগতে বুদ্ধিমত্তাৰ সংযোজন ঘটে; সেয়া গাধৰ শ্ৰমত দেখিবলৈ পোৱা নাযায়। আমি উন্নতিৰ পথত আগুৱাবলৈ হ'লে অকল পশুশ্ৰম কৰিব পাৰিলেই নহ'ব, তাৰ লগতে এক সুপৰিকল্পিত আঁচনিৰো প্ৰয়োজন। পৰিকল্পনা অবিহনে শ্ৰমবোৰ গাধৰ দৰে অবাবত ব্যয় কৰাহে হ'ব।

একগ্ৰতা, দক্ষতাৰ অবিহনে নিয়োজিত কোনোখন ক্ষেত্ৰতে আমি আগবাঢ়ি যাব নোৱাৰো। কিছুদূৰ গৈয়ে আমাৰ খোজ স্থবিৰ হৈ পৰিব। সেয়ে প্ৰথমেই আমি বিচাৰি উলিয়াব লাগিব আমাৰ কোনখন ক্ষেত্ৰত এশ শতাংশ দক্ষতা আছে? এশ শতাংশ নহ'লেও ৯০-৯৫ শতাংশ দক্ষতা আছে। এটা কথা ঠিক যে আমাৰ দক্ষতা থকা বিষয়টোত আমাৰ নিচাও থাকে। নিচা থকা বিষয় এটাত আমি সহজেই আগবাঢ়ি যাব পাৰো।

দিন সলনি হৈছে। মানুহৰ প্ৰয়োজনবোৰো সলনি হ'ব ধৰিছে। সেয়ে নিয়োজিত ক্ষেত্ৰবোৰো সলনি হৈ গৈছে। গাঁৱৰ প্ৰতি ঘৰ মানুহৰ ঘৰতে হাঁহ-কুকুৰা থাকে কিন্তু এতিয়া সেই হাঁহ-কুকুৰাক ব্যৱসায় ভিত্তিত কৰি গাঁৱৰ বহু যুৱক-যুৱতী স্বাৱলম্বী হৈছে। আগতে যদি ঘৰৰ সমুখৰ বাৰীখনত বছৰটো খাব পৰাকৈ খেতি কৰা হৈছিল, এতিয়া সেই বাৰীখনতে ব্যৱসায় ভিত্তিত খেতি কৰি সেই শাক-পাচলিয়ে দাঁতিকাষৰীয়া বজাৰো দখল কৰিবলৈ সক্ষম হৈছে। যিটো পুখুৰীত এশ-দুশ মাছ মেলি ঘৰৰ মানুহকেইটাই খাবলৈ মাছ পোহা হৈছিল, সেইটো পুখুৰী এতিয়া আহল-বহল, দকৈ খান্দি হেজাৰ মাছৰ পোনা মেলিব পৰাকৈ উপযুক্ত কৰি তোলা হৈছে। যিকোনো ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ শিক্ষাৰ অতি প্ৰয়োজন। সেয়া লাগিলে এজন আদৰ্শ কৃষক হ'বলৈকে অথবা এজন আদৰ্শ ব্যৱসায়ী হ'বলৈকে। শিক্ষাই আমাক যিকোনো এটা কাম নিয়াৰিকৈ তথা নিটোলকৈ কৰাৰ জ্ঞানকণ প্ৰদান কৰাৰ উপৰি ইয়াৰ খুঁটি -নাটিবোৰো চাই-চিতি জাৰি-জোকাৰি ল'বলৈ বিবেচনাবোধ দিয়ে। সেয়ে এজন নিৰক্ষৰ কৃষকে যিমান দূৰ আগবাঢ়ি যাব পাৰে, এজন শিক্ষিত খেতিয়কে তাৰ তুলনাত বহু বেছি ভাল ফলাফল দেখুৱাব পাৰে।

দিন সলনি হৈছে। সাধাৰণ ক'লা-বগা ম'বাইলটোৰ পৰা ৰঙীন ম'বাইলৰ দিন আহিল। ইণ্টাৰনেটৰ সংযোগ ঘটিল আৰু এতিয়া এই ম'বাইলটোৰ দ্বাৰাও বহুতে স্ব-নিয়োজনৰ পথ প্ৰশস্ত কৰি লৈছে। কণ্টেণ্ট ৰাইটাৰ, ব্লগ ৰাইটাৰ, ট্ৰেনশ্লেটৰ, অনলাইন বিজনেছ, ইউ টিউবাৰ, ফটোগ্ৰাফী, কডিং ক্লাছ আদি বহুতো নতুন নতুন আয়ৰ উৎস আমাক ম'বাইলটোৱে মুকলি কৰি দিছে। যিকোনো এটা ব্যৱসায় কৰিবলৈ আমাক নূন্যতম পৰিমাণৰ টকা লাগে, কিন্তু এইবোৰত বিনিয়োগ শূন্য। বৰ্তমান চৰকাৰেও ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকলক স্ব-নিয়োজনৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ বহুতো যোজনা ৰূপায়ণ কৰিছে।

শামুকৰ পেটত মুকুতা উৎপাদন, শহা পালন, মাশ্বৰুম উৎপাদন, বতা চৰাই পালন, টেইলৰিং, জুৱেলাৰী মেকিং, কেক মেকিং, অফিচ তথা বিদ্যালয়ত টিফিন যোগান, ট্ৰেভেল এজেন্সী, চাহ ব্যৱসায়, গাহৰি পালন আদি আমাৰ স্ব-নিয়োজনৰ দিশবোৰত নতুনকৈ সংযোজিত হৈছে। আগতে ঘৰতে খাবলৈ পোহা এৰী পলু, মুগা পলুবোৰ, হাবিৰ মৌচাক আজি ব্যৱসায়ভিত্তিক হ'ল। শিপিনীয়ে তাঁতশালখনক ভৰসা কৰি আজি বহুদূৰ যাব পৰা হ'ল। ধন ক'ত নাই? এক পৰিকল্পিত লক্ষ্য আৰু শ্ৰমক সাৰথি কৰি জীৱনত আগবাঢ়ি গৈ থাকিলে সকলো পথতে ধন আৰু ভবাতকৈয়ো বেছি আত্মসন্তুষ্টিৰে আমি নিজৰ সপোনবোৰ দিঠকত পৰিণত কৰিব পাৰিম।

*ফোন ঃ ৯৮৫৪১-২৪০২৩*

# নেক্সাছ

**• ভাস্কৰজিৎ দত্ত**

**প্ৰা**য় এমাহমান ঔষধ খোৱাৰ পাছতো বিনোদৰ স্বাস্থ্যৰ কোনো উন্নতি হোৱা নাই। ডাক্তৰেও ঔষধ সলনি কৰি নতুন নতুন ঔষধ লিখি আছে। ডাক্তৰে দিয়া নতুন ঔষধ খাই বিনোদে একো ভাল পোৱা নাই, বৰং দুৰ্বলহে হৈ পৰিছে।

সেইদিনা হঠাৎ তাৰ বন্ধু অমৰ আহি বিনোদৰ ঘৰ ওলালহি। বিনোদৰ পৰিৱৰ্তিত চেহেৰা দেখি অমৰে উচপ খাই উঠি ক'লে—ঃ তোৰ হৈছে কি। ইমান খিণাইছ যে। গা বেয়া নি।

ঃ নক'বি আৰু। এমাহ পাৰ হ'বৰ হ'ল। ডাক্তৰৰ দৰব খাই খাই হায়ৰাণ। একো ভাল পোৱা নাই।

ঃ তই এনেই দৰব খাই আধামৰা হ'ব নালাগে। চ্যুকাফা হস্পিতাললৈ এজন বাহিৰৰ ভাল ডাক্তৰ আহে তই এবাৰ তাত দেখাই ল।

ঃ ইমান দামী দামী দৰব খাই আছো। অলপো ভাল হোৱা নাই।

ঃ ইমান দৰব খাই থকা ভাল নহয়। সবৰে এম আৰৰ লগত পেক থাকে। ভাল দৰব থাকিলেও তোক সেই এম আৰৰ লগত ফিটিং হৈ থকা কোম্পানীৰ দৰবহে দিব। অমৰৰ কথা মতে বিনোদে অসমৰ বাহিৰৰ পৰা অহা ডাক্তৰজনক দেখাবলৈ বুলি ডাঃ অৰিন্দম কাপাডিয়াৰ চেম্বাৰলৈ গ'ল।

ভঙা ভঙা হিন্দীতে বিনোদে সকলো কথা বিৱৰি ক'লে। ডাঃ কাপাডিয়াই বিনোদৰ সকলো ৰিপ'ৰ্টপাতি আৰু ডাক্তৰে দিয়া প্ৰেছক্ৰিপছনবোৰ চাই ক'লে— আপ ইটনা এণ্টিবায়'টিক খানে কা জৰুৰত নেহী থা। ইস সব কা ডৰা আপ বন্ধ কৰ দিজিয়ে। সেইবুলি কৈ ডাঃ কাপাডিয়াই সকলো পুৰণি দৰব বন্ধ কৰি মাত্ৰ দুটা নতুন দৰব বিনোদক খাবৰ কাৰণে লিখি দিলে।

দুদিনমান ডাঃ কাপডিয়াই দিয়া দৰব খোৱাৰ পাছতে বিনোদৰ স্বাস্থ্যৰ উন্নতি হ'বলৈ ধৰিলে।

*ফোন ঃ ৮৮৭৬২-৫৩৮৯৯*

# সামাজিক

**• জেপোলিন ৰাজকুমাৰী**

**ন**ৱবিবাহিতা পত্নী প্ৰসূতি ৰোগত মৃত্যু হোৱাৰ দুবছৰ নৌহওঁতেই কম বয়সীয়া ছোৱালী এজনী পলুৱাই অনা ৰঞ্জিতে চিগাৰেট ল'বলৈ ঘুমটিখনৰ কাষত বাইকখন ষ্টেণ্ড কৰিলে।

ৰঞ্জিতক দেখি দ্বীপ, জিতু আৰু নিতুলে চিঞৰি মাতিলে— ঐ ৰঞ্জিত, কালি মানুহজনীক লৈ তোক যে চিনেমা হলত দেখিছিলো। আগৰখনতো দেখিছিলো। আমিও গৈছিলো যে। কেনেকুৱা পালি ঐ কালি চিনেমাখন। ৰঞ্জিতে চিগাৰেট এটা জ্বলাই ধোঁৱাখিনি উৰুৱাই ভেকাহি মাৰি ক'লে— কাহিনী, গানৰ সুৰ নকল নকৰাকৈ চিনেমা বনালে ভাল বুলিব পাৰি। আৰু একেকেইখন মুখ, বয়স হোৱা অভিনেতা-অভিনেত্ৰীবোৰে হিৰো-হিৰোইন কৰিলে চিনেমা চোৱাৰ মজা নাথাকে। আৰুতো বহু কম বয়সীয়া, ধুনীয়া ভাল এক্টিং কৰা অভিনেতা-অভিনেত্ৰীবোৰ আছে। সিহঁতে যে চিনেমা, নাটক, ছিৰিয়েল, ভ্ৰাম্যমাণৰ হিৰো-হিৰোইনৰ চৰিত্ৰবোৰ নাপায়। কেৱল বিয়া হৈ ল'ৰা-ছোৱালী স্কুলত দিয়া, ছোৱালী তোলনী হোৱা সেই ভিচিডি যুগৰে কেইটা-কেইজনী, নতুনকৈ বিয়া হোৱা আৰু বিধৱা, ডিৰ্ভোচি, বিয়া নোহোৱা বয়সীয়া দুই-এজনীয়েহে যে হিৰোইন হ'বলৈ পায়। মানো সিহঁতৰ দক্ষতা আছে কিন্তু চেহেৰাটোতো শুৱাই পৰাতো জৰুৰী। সেয়ে সিহঁতে এতিয়া বায়েক, নবৌৱেক, মাক-বৰমাকৰ চৰিত্ৰবোৰহে কৰিব লাগে। যিটো বলিউডতো কৰে। আৰু আগৰ সেই (বুঢ়া) হিৰোকেইটাই হিৰো পাৰ্ট এৰি ককায়েক, খুড়াক, মামাক, দেউতাক-বৰদেউতাক আদিৰ চৰিত্ৰবোৰ কৰিবৰ হ'ল। আগৰখনতো দেখিলো বয়সীয়া হিৰোৰ কি ঠৰঙা এক্টিং। মোৰ লগৰকেইটাৰ আগত পাতিলে সিহঁতে হাঁহি দিয়ে। আচলতে সকলো সকলোৰে বাবে নহয় বুজিছ। বিষ্ণু ৰাভা, শংকৰদেৱ সকলো হ'ব নোৱাৰে। সেইখনতো ল'ব পাৰিলে হয় নতুন ল'ৰা এটা, হিৰোৰ চৰিত্ৰত। আৰু এতিয়া নতুন ল'ৰা-ছোৱালীবোৰটো দক্ষতাপূৰ্ণ। অথচ সিহঁতে হিৰো-হিৰোইন হোৱাৰ চান্সটো নাপায়। ক'ৰবাত দুই-এটা। ৰঞ্জিতে কোৱা কথাটো একমুখে হয়ভৰ দি জিতু আৰু নিতুলে ক'লে— বুজিছ ৰঞ্জিত, ৰাজনীতি কেৱল ৰাজনীতিতে নাথাকে। সাহিত্য-সংস্কৃতি-কলা সকলোতে আজিকালি বিৰাজমান। দক্ষতাপূৰ্ণ উঠি অহা চামক আগবাঢ়িবলৈ নিদিয়াৰ কেঁকোৰা চেপা। আগবাঢ়িলেও লেং মাৰি দিয়াৰ প্ৰৱণতা।

তথাপি ৰঞ্জিতে 'বিধৱা' শব্দটো কওঁতে নিজৰ গাতে চিকুট মাৰি নাচালে— সিও যে প্ৰথম পত্নী ঢুকুৱা বয়সীয়া এটা মানুহ; অথচ বিপত্নীক ব্ৰত পালন কৰিব নোৱাৰি এজনী কম বয়সীয়া ছোৱালী পলুৱাই আনিলে। কথাটো মনলৈ অহা দ্বীপে 'বেজীয়ে হাঁহে চালনীক বুলি' ৰঞ্জিতলৈ চাই ইতিকিঙৰ হাঁহি এটা মাৰিলে...

*ফোন ঃ ৭০৮৬৬-০৫৫৫১*

## লেখক-লেখিকাৰ প্ৰতি

'দেওবৰীয়া খবৰ'ত প্ৰকাশৰ বাবে সকলোধৰণৰ লেখা একমাত্ৰ sundaykhabor@gmail.com ত প্ৰেৰণৰ বাবে অনুৰোধ জনোৱা হ'ল। লেখাসমূহ অপ্ৰকাশিত আৰু ১,০০০-১,২০০ শব্দৰ ভিতৰত হোৱা বাঞ্ছনীয়। লেখাসমূহত নাম-ঠিকনা, ফোন নম্বৰ দিবলৈ নাপাহৰিব।

# বিশ্ব জল দিৱস

*১ পৃষ্ঠাৰ পৰা*

● ৰূপলেখা দেৱী



কোনো অঞ্চলত আকৌ খৰাং বতৰৰ ফলত অপুষ্টি আৰু ক্ষুধা পিড়ীত হৈ বহুতো মানুহ মৃত্যুমুখত পৰাও দেখা যায়।

ৰাষ্ট্ৰসংঘৰ এক তথ্য অনুসৰি বিশ্বৰ জনসংখ্যাৰ আধাসংখ্যক লোকে খোৱাপানীৰ বাবে ভূগৰ্ভৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে আৰু বাকী আধাসংখ্যকে অন্যান্য উৎস যেনে— নৈ, নিজৰা, পুখুৰী, হ্ৰদ আদিৰ পৰা খোৱাপানী সংগ্ৰহ কৰে। বৰ্তমান সমগ্ৰ বিশ্বতে পানীৰ অভাৱে এক জটিল সমস্যাৰ সৃষ্টি কৰিছে। সেয়েহে পানীৰ সংৰক্ষণ আৰু ইয়াৰ সঠিক ব্যৱহাৰ, অপব্যয় ৰোধ আদিৰ বিষয়ে পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়াকো সজাগ কৰাৰ দিন আহি পৰিছে। সাধাৰণ মানুহৰ মাজত ইয়াৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২২ মাৰ্চৰ দিনটো 'বিশ্ব জল দিৱস'ৰূপে পালন কৰা হয়। ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ'-ডি -জেনেৰিঅ'ত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশ সন্দৰ্ভত অনুষ্ঠিত এক বৈঠকত জল সংকটৰ প্ৰতি লক্ষ্য ৰাখি বিশ্ব জল দিৱস পালন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু ১৯৯৩ চন ২২ মাৰ্চৰ পৰা এতিয়ালৈকে প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে। মানুহে যাতে পানী অপব্যয় নকৰে আৰু বিশুদ্ধ খোৱাপানী ব্যৱহাৰ কৰে তাৰ বিষয়ে সজাগ কৰি তোলাই হৈছে এই দিৱস পালনৰ মূল লক্ষ্য। প্ৰতি বছৰে ৰাষ্ট্ৰসংঘৰ দ্বাৰা অনুমোদিত একোটা সংস্থাই এই দিৱসৰ ওপৰত আলোকপাত কৰে। ইয়াৰ উপৰি ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ লগতে স্বেচ্ছাসেৱী সংগঠন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে জনসাধাৰণক সজাগ কৰিবলৈ নানান উদ্যোগ হাতত লয়। যোৱা বছৰ অৰ্থাৎ ২০১৯ ৰ জল দিৱসৰ মূল বিষয় আছিল 'সকলোৰে বাবে পানী, আৰু কোনো মানুহ যাতে পানীৰ পৰা বঞ্চিত নহয়' অৰ্থাৎ 'water for all and living no one behind'। এই বছৰ অৰ্থাৎ ২০২০ চনৰ জল দিৱসৰ মূল বিষয় হ'ল 'পানী আৰু জলবায়ুৰ পৰিৱৰ্তন', water and climate change। ভৱিষ্যতৰ বাবে পানী সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহা দশকটোত (২০১৯-৩০) ইয়াৰ বাবে নানান উদ্যোগ হাতত লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।



জল দিৱস ঃ- প্ৰকৃত বাস্তৱ আৰু অৱস্থিতি

২.১ বিলিয়ন মানুহ এতিয়াও ঘৰত বিশুদ্ধ পানী ব্যৱহাৰৰ পৰা পৰা বঞ্চিত হৈ আছে।

প্ৰত্যেক চাৰিখন প্ৰাথমিক বিদ্যালয়ৰ বিপৰীতে প্ৰায় তিনিখন বিদ্যালয়তে বিশুদ্ধ খোৱাপানীৰ অভাৱ দেখা যায় য'ত ছাত্ৰ-ছাত্ৰীসকলে দূষিত পানীয়ে ব্যৱহাৰ কৰিবলৈ বাধ্য হয়।

সমগ্ৰ বিশ্বত প্ৰত্যেক দিনে পাঁচ বছৰ বয়সৰ তলৰ প্ৰায় ৭০০ তকৈ অধিক শিশু দূষিত পানী পান কৰাৰ ফলত হোৱা পেটৰ অসুখত ভুগি মৃত্যু বৰণ কৰে।

দূষিত পানী ব্যৱহাৰ কৰা বিশ্বৰ আশী শতাংশ মানুহ প্ৰধানকৈ গাঁও বা অতি পিছ পৰা অঞ্চলত বাস কৰে।

প্ৰত্যেক দহটা পৰিয়ালৰ আঠটাতে মহিলা আৰু ছোৱালীসকলেহে ঘৰৰ ব্যৱহাৰ্য পানী দূৰৰ পৰা সংগ্ৰহ কৰাৰ দায়িত্ব লোৱা দেখা যায়।

বিশ্বৰ ৬.৮ মিলিয়ন মানুহে পানীৰ অভাৱত অনিচ্ছাসত্বেও নিজ বাসস্থান ত্যাগ কৰিবলগীয়া হয়।

বিশ্বৰ প্ৰায় চাৰি মিলিয়ন মানুহ বা মুঠ জনসংখ্যাৰ তিনি ভাগৰ দুভাগেই বছৰত কমেও এটা মাহ পানীৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

এক সমীক্ষা মতে পানীৰ অভাৱত প্ৰতিদিনে সমগ্ৰ বিশ্বতে প্ৰায় ৭০০ গৰ্ভৱতী মহিলা মৃত্যুমুখত পৰে।

সেয়েহে ২০৩০ চনৰ ভিতৰত সমগ্ৰ বিশ্বতে পানীৰ যি নাটনি সেয়া পূৰণ কৰিবলৈ যথেষ্ট উদ্যোগ হাতত লোৱা হৈছে।

তলত ঘৰুৱাভাৱে পানী সংৰক্ষণ কৰাৰ কেইটামান সহজ উপায় উল্লেখ কৰা হ'ল।

দাঁত ব্ৰাছ কৰাৰ সময়ত বা হাতত চাবোন ঘঁহি থকাৰ সময়ত পানীৰ টেপটো বন্ধ কৰি থ'ব লাগে।

ঘৰৰ টেপবোৰ যাতে লিক কৰি পানী গৈ নাথাকে তাৰ প্ৰতি গুৰুত্ব দিব লাগে।

গা ধুওঁতে শ্বাৱাৰ ব্যৱহাৰ কৰিব লাগে, তেতিয়া বাকেটৰ পৰা মগেৰে বাকি গা ধুৱাতকৈ কম পানী খৰচ হয়। পানীৰ পাইপ আৰু টেপবোৰত প্ৰেছাৰ কম কৰা ভাল্‌ভ লগাব পাৰে, তেতিয়া পানী বহু ৰাহি হ'ব।

ইকো ফ্ৰেণ্ডলী ৱাশ্বিং মেচিন ব্যৱহাৰ কৰিব লাগে আৰু কাপোৰৰ ধাৰণ ক্ষমতা যিমান তাতকৈ কম কাপোৰ দিব নালাগে কাৰণ কম কাপোৰ ধুলেও বেছি কাপোৰ ধোৱাৰ সমান পানী খৰচ হয়।

ঘৰৰ মজিয়া মচোতে ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ এৰাই চলিব লাগে, এইবোৰ ব্যৱহাৰ কৰিলে পানী বেছিকৈ খৰচ কৰিব লগা হয়।

ডিছ ৱাচাৰটো বাচনেৰে পূৰা ভৰ্তিকৈ লৈহে ব্যৱহাৰ কৰিব লাগে।

বাৰে বাৰে পানী খৰচ কৰাতকৈ ১০০ শতাংশ ৰিচাইক্লিং পেপাৰ ব্যৱহাৰ কৰিব লাগে।

বৰষুণৰ পানী সংৰক্ষণ আৰু শোধন কৰি কাপোৰকানি ধোৱা, ফুলত পানী দিয়া, ঘৰ মচা, কাপোৰ ধোৱা আদি কামত ব্যৱহাৰ কৰিব লাগে।

পাকঘৰত শাক-পাচলি আৰু চাউল আদি ধোৱা পানীবোৰ পেলাই নিদি বাল্টি এটাত ৰাখি থৈ সেইবোৰ ফুলৰ টাবত দিব পাৰে। গাড়ী ধুবলৈ বাল্টিত পানী লৈ কম পানীৰে ধোৱাৰ অভ্যাস কৰিব লাগে।

ফুলৰ টাবত পানী দিওঁতে ফুটা ফুটা জালি থকা জাৰেৰে পানী দিব লাগে।

পায় খানাত ডুৱেল ফ্লাচ পদ্ধতি থকা চিচটাৰ্ণ লগাব লাগে।

কাপোৰ আওদালা শেষৰ পানীখিনি পেলাই নিদি বাথৰুমটো ধুবলৈ ব্যৱহাৰ কৰিব পাৰে।

উক্ত উপায়সমূহ অনুসৰণ কৰি কাৰ্যকৰী কৰিলে অলপ হ'লেও পানী ৰাহি হ'ব।

*ফোন ঃ ৯৮৬৪১-০৯৭৭৮*



# টাৱাঙে ৰিঙিয়াই মাতে



শৈশৱৰ পৰাই ভ্ৰমণ কাহিনী পঢ়াৰ চখ আছিল, দেউতাৰ লগত গ্ৰন্থমেলা আদিত গ'লেও সাধুকথাৰ কিতাপৰ সলনি ভ্ৰমণ কাহিনীবোৰতহে চকু পৰিছিল। ভ্ৰমণ কাহিনীৰ কৌতূহলতা আৰু নতুন ঠাইৰ প্ৰতি উৎসুকতাই কাহিনীবোৰৰ মাজত আস্থা আৰু সমাদৰ লাভ কৰিছিল। এনেবোৰ কাৰণতেই মোৰ ভ্ৰমণ কাহিনী লিখাৰ চখবোৰ শৈশৱৰ পৰাই মনত জাগি উঠিছিল। ইতিমধ্যে অসমীয়া বাতৰি কাকতত 'চিকিম ডায়েৰী' আৰু 'অৱসৰৰ বিনোদনস্থলী দীঘা' প্ৰকাশ পাইছে।

● অজন্ত দাস

'টাৱাঙে ৰিঙিয়াই মাতে' শীৰ্ষক ভ্ৰমণ কাহিনীৰ জৰিয়তেও পঢুৱৈসকলৰ বাবে কিছু প্ৰয়াস কৰিছো।

সৰুৰে পৰা হেঁপাহ আছিল হিমালয়ৰ পাদদেশত



থকা চীন ভাৰতৰ সীমা চাবলৈ। ইতিমধ্যে চিকিমত থকা নাথুলা পাছ (উচ্চতা ১৪,০০০ ফুট সাগৰপৃষ্ঠৰ পৰা) ২০১৫ চনতেই ভ্ৰমণ কৰিছিলো, এইবাৰ আমাৰ যাত্ৰা আছিল অৰুণাচলৰ টাৱাঙত থকা বুমলা পাছত শিখৰণ কৰিববলৈ যাৰ উচ্চতা আছিল ১৫,২০০ ফুট।

অৰুণাচলৰ টাৱাঙত যাবলৈ inner line permit লাগে গতিকে আমি গুৱাহাটীৰ ৰুক্মিণীগাঁওত



থকা কাৰ্যালয়ত permit কৰিলো যাৰ মূল্য মাত্ৰ এজনৰ ২৫ টকা।

১৮ ডিচেম্বৰ/ সোমবাৰ, সময় পুৱা ৬.৩০ বজা। সেইদিনা আমি সকলোৱে গন্তব্য স্থানলৈ যাত্ৰা আৰম্ভ কৰিলো। সকলোৱে পুৱা একো খাই নহা কাৰণে নলবাৰীত প্ৰণীতা ৰেষ্টুৰেণ্টত চাহ খাবলৈ সোমালো। ৰেষ্টুৰেণ্টখনত সকলো কৰ্মচাৰী মহিলা দেখি মই অবাক হৈছিলো, তেনেকুৱা হোটেল কাহানিবাও দেখা নাছিলো আৰু তেওঁলোকে কৰা কৰ্মস্পৃহা দেখি মোক মনোগ্ৰাহী কৰি তুলিলে। চাহ-পানী খাই পুনৰ যাত্ৰা কৰিলো, দুপৰীয়া ১.৩০ বজাত তেজপুৰ পালো, তেজপুৰত সকলোৱে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো। অলপ সময় জিৰণি লৈ পুনৰ যাত্ৰা কৰিলো, নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ কাষে কাষে গৈ গৈ ভালুকপুঙ নামৰ ঠাইত উপস্থিত হ'লো। ভালুকপুঙত আমাৰ ইনাৰ লাইন পাৰ্মিটবোৰ পৰীক্ষা কৰিলে। কিছুদূৰ যোৱাৰ পাছত আমাক ভাৰতীয় সৈন্যই আগচি ধৰি ক'লে যে ভালুকপুঙৰ পৰা বমডিলা লৈ ৰাস্তা বন্ধ আছে। গতিকে আবেলি ৪ বজালৈকে আমি ভালুকপুঙতে আবদ্ধ হৈ পৰিছিলো। ৪ টা বজাত গাড়ীখনে পুনৰ বমডিলালৈ যাত্ৰা কৰিলে। বমডিলা অৰুণাচলৰ west kameng জিলাত অন্তৰ্ভুক্ত। অকোৰা-পকোৰা বাটেৰে ঘন অৰণ্যৰ মাজে মাজে এফালে পাহাৰ আৰু আনফালে প্ৰকাণ্ড খাৱৈ তাৰ কাষে কাষে গৈ আছো। ৰাতি ৮.৩০ বজাত বমডিলা পালো, কিন্তু তেতিয়া ৰাতি থকাৰ কাৰণে হোটেল বিচাৰি পোৱাত কঠিন হৈছিল। ৩-৪ খন হোটেল বিচাৰি বিচাৰি অৱশেষত এখন থকাৰ কাৰণে হোটেল পালো। নিশাৰ ভাতসাঁজ লৰালৰিকৈ খাই বিছনাত উঠিলো। ৰাতি ১২ বজাত ধুমুচকৈ শব্দ এটা শুনা পালো। সাৰ পাই দেখিলো আমাৰ innovaখনৰ ড্ৰাইভাৰ মূৰ ঘূৰাই পৰি আছে। কাৰণ তেওঁ একেৰাহে ১৩ ঘণ্টা ধৰি গাড়ী চলাইছিল। অলপ সময় হুৱাদুৱা লাগিল পাছত যেনিবা ড্ৰাইভাৰে চকু মেলিলে। পাছত তেওঁ জানিবলৈ দিলে যে উচ্চ ৰক্তচাপত ভুগি আছে। গোটেই ৰাতি মোৰ টোপনি নাহিল। কাৰণ ড্ৰাইভাৰে গাড়ী চলাব পাৰিব নে নাই ? ভাবি থাকিলো তেনেকে ৰাতিপুৱালে।

১৯ ডিচেম্বৰ/মঙলবাৰ, পুৱা ৭ বজাত চাহ-পানী খাই টাৱাঙলৈ যাত্ৰা কৰিলো। অকোৰা-পকোৰা বাটেৰে প্ৰকৃতিৰ মনোমোহা হিমালয় পৰ্বতমালাৰ পাহাৰৰ কাষে কাষে ঠেক পথেৰে ওপৰলৈ উঠি আছো। বমডিলা পাৰ হৈ



ডিৰাঙৰ মাজেৰে গৈ আছো টাৱাঙৰ উচ্চ শিখৰত। যাওঁতে sela passৰ ১৩,৭০০ ফুটত থকা sela lakeতো সঁচাকৈ অতুলনীয়। ৰাস্তাৰ মাজে মাজে বনৰীয়া yak বোৰ দেখি মনত আপ্লুত হৈছিলো হয়তো এনেকুৱা প্ৰকৃতিৰ মাজত মই বিলীন হৈ যাম। লাহে লাহে বৰফে আৱৰা পৰ্বতমালাৰ মাজেৰে আমাৰ গন্তব্যস্থান টাৱাঙলৈ যাত্ৰা কৰিছো। আবেলি ৪.৩০ বজাত টাৱাঙত সকলোৱে উপস্থিত হ'লো। আমি hotel Nefa ত থকাৰ কাৰণে ভাবিলো কাৰণ সেই হোটেলখনত থকা আৰু খোৱাৰ সুব্যৱস্থা আছিল।

২০ ডিচেম্বৰ/ বুধবাৰ, টাৱাঙৰ নিচেই কাষতে লাগি থকা পৃথিৱীৰ দ্বিতীয় বৃহত্তম বৌদ্ধ মন্দিৰ চাবলৈ গ'লো। বৌদ্ধ ভিক্ষুসকলে তাঁত শিক্ষাগ্ৰহণ কৰি আছিল। ভালকৈ দৰ্শন কৰি পুনৰ ১৯৬২ চনত চীন-ভাৰতৰ যুদ্ধত প্ৰাণ আহুতি দিয়া ভাৰতৰ যোদ্ধাসকলৰ war memorial চালো। সকলো বন্ধুৱে ভাবিছিল Indian army is the best soldiers in any nation ... আমি নিজকে গৰ্ব অনুভৱ কৰিছিলো আৰু ১৯৬২ চনত ব্যৱহৃত ৰাইফলবোৰ দেখি মই মুগ্ধ হৈছিলো। সেইদিনাই আমি BUMLA PASS আৰু MADHURI LAKEৰ কাৰণে পাৰমিট বনালো। আৰু তেওঁলোকৰ গাড়ীৰ ভাৰাৰ বাবদ আমাৰ পৰা ৫,০০০ টকা লৈছিল।

২১ ডিচেম্বৰ, বৃহস্পতিবাৰে পুৱা সকলোৱে মনত অপাৰ আনন্দ, কাৰণ সকলোৱে চীন ভাৰতৰ সীমা BUMLA PASS দেখিব বৰফৰ মাজে মাজে আমি আগবাঢ়িছিলো। ওখৰা-মোখৰা ৰাস্তাৰ মাজে মাজে ওপৰলৈ গৈ আছো, যাৰ উচ্চতা আছিল ১৫,২০০ ফুট। অৱশেষত বুমলা পাছত গাড়ীৰ পৰা নামিলো। Indian army যে আমাক কৈছিল লাহে লাহে খোজকাঢ়ি যাবলৈ কাৰণ তাঁত অক্সিজেন বহুত কম। সকলোৱে canteen ৰ পৰা bumla pass ৰ টুপী কিনিছিলো আৰু Indian armyৰ কষ্টবোৰ দেখি আমি গোটেইকেইজন মুগ্ধ



হৈছিলো। তাৰ পৰা bumla passৰ স্মৃতিবোৰ বিদায় দি MADHURI LAKEৰ ফালে যাত্ৰা কৰিলো। Madhuri lakeৰ প্ৰকৃত নাম SANGATCHAR LAKE। 'কয়লা' চিনেমাৰ শ্বুটিঙৰ সময়ত ইয়াক মাধুৰী লেক হিচাপে নামাকৰণ কৰা হয়। তেতিয়াৰ পৰা ই অধিক জনপ্ৰিয় হৈ পৰে। MADHURI LAKEৰ পৰা বিদায় লৈ PTSU LAKEৰ ফালে আগবাঢ়িলো। ৰাস্তাৰ মাজে মাজে বৰফৰে আৱৰা গছবোৰ দেখিলো। PTSU LAKE ত উপস্থিত হৈ আমি সকলোৱে সকলোকে বৰফ দলিয়ালো আৰু গোটেইকেইজনে শুই পৰিলো বৰফৰ মাজত। ptsu lakeৰ পৰা প্ৰস্থান হ'লো টাৱাঙৰ হোটেলখনলৈ।

২২ ডিচেম্বৰ/শুকুৰবাৰে আমাৰ টাৱাঙৰ পৰা বিদায় লোৱা পৰ্ব। পুৱা ৬ বজা। আমাৰ গন্তব্যস্থান আছিল তেজপুৰ। লাহে লাহে গাড়ী ঘৰমুৱা হ'ল। অকোৰা-পকোৰা বাটেৰে পুনৰ যাত্ৰা আৰম্ভ। গৈ থাকোঁতে JASHWANT GARH WAR MEMORIALচালো আৰু baisakhi নামৰ ঠাইত ভাৰতীয় সৈন্যৰ নাম থকা t-shirt কিনিলো।

ৰাতি ৭.৩০ বজাত অসম আহি সোমালো। বালিপাৰা নামৰ ঠাইত চাহ দোকান এখনত সোমালো। সেই সময়ত INDIA ৰ t-20 cricket match চলি আছিল আৰু ৰোহিত শৰ্মাৰ দুৰ্দান্ত প্ৰদৰ্শন দেখি আনন্দিত হ'লো। সেই দিনা তেজপুৰত ৰাতি হোটেলত কটাই পিছদিনা মহাভৈৰৱ মন্দিৰ আৰু অগ্নিগড় চাই ঘৰৰ ফালে ৰাওনা হ'লো।

মোৰ ভ্ৰমণ কাহিনীটোৰ শেষত ক'ব খোজো যে টাৱাঙৰ স্মৃতি মোৰ কাৰণে সজীৱ হৈ ৰ'ব।

*ফোন ঃ ৯৭০৬৪-৮২২৩৫*

# সুখৰ ঠিকনা বিচাৰি

*২ পৃষ্ঠাৰ পৰা*

হাতত লোৱা প্ৰক্ৰিয়াৰে সুখৰ ঠিকনা প্ৰাপ্তিত কিছু বেমেজালিয়ে দেখা দিয়া বুলি ক'ব পাৰি। ক'ব পাৰি এক নিৰ্দিষ্ট সংজ্ঞাৰে সুখ সংজ্ঞায়িত কৰাত বেমেজালিয়ে দেখা দিয়া বুলি।

আনহাতে বিশ্বৰ গৰিষ্ঠসংখ্যক গুণী-জ্ঞানী ব্যক্তিয়ে তেওঁলোকৰ জীৱনৰ অভিজ্ঞতালব্ধ উপলব্ধিৰে সুখক যি অমৃতোপম সংজ্ঞাৰে সংজ্ঞায়িত কৰিছে, য'ত আৱিষ্কাৰ কৰিছে সুখৰ ঠিকনা, দেখা যায় যে সেই সংজ্ঞাৰে বিশ্বৰ দেশসমূহৰ সুখৰ মাত্ৰা নিৰ্ধাৰণ কৰাত অসুবিধাই দেখা দিয়ে যদিও ব্যক্তিসুখৰ ক্ষেত্ৰত অৱশ্যে গ্ৰহণযোগ্য বুলি ক'ব পাৰি। এইক্ষেত্ৰত আব্ৰাহাম লিংকনৰ দাৰ্শনিক উক্তিৰ গ্ৰহণযোগ্যতাৰ ওপৰত কোনো সন্দেহ নাই বুলি ক'লেও অত্যুক্তি কৰা নহয়। তেওঁ কৈছিল— 'People were as happy as they made up their minds to be. You can be unhappy if you want to be. It is the easiest thing in the world to accomplish, আনহাতে প্ৰখ্যাত আমেৰিকান দাৰ্শনিক এমাৰ্চনে কৈছিল— 'A man is what he thinks all the day long.' একেদৰে প্ৰখ্যাত ৰোমান দাৰ্শনিক মাৰ্কছ অউৰেলিয়াছে কৈছিল— 'A man's life is what his thought makes of it.'

দেখা যায় যে মহান দাৰ্শনিকসকলে একমুখে 'সুখ মানুহৰ এক বিশেষ মানসিক অৱস্থা' বুলিয়েই অভিহিত কৰিছে। যি নিৰ্ভৰ কৰে একমাত্ৰ ব্যক্তিৰ চিন্তাধাৰাৰ ওপৰত। সেই দৃষ্টিকোণেৰে চালে দেখা যায় যে আচলতে সুখ আৰু দুখ— এই দুয়োটাৰে মূল খনিকৰ আমি নিজেই। ইয়াত কোনো দ্বিতীয় বা তৃতীয় ব্যক্তিৰ অৰিহণা বা প্ৰভাৱ নাথাকে। ইচ্ছা কৰিলেই আমি সুখী হ'ব পাৰো, জীৱনটো উদ্‌যাপন কৰিব পাৰো। আৰু ইচ্ছা কৰিলেই এসোপামান দুখৰ গৰাকী হৈ তিক্ততাৰে বুৰাই জীৱনটো দুৰ্বিষহ কৰি পেলাব পাৰো। কাৰণ আমাৰ মনটো প্ৰচণ্ড শক্তিৰ উৎস। আমি যিহেতু মনৰ স্বাধীন, গতিকে সুখ প্ৰাপ্তিৰ প্ৰাথমিক চৰ্তটোৱেই হৈছে— আমি সুখী হ'বলৈ চেষ্টা কৰিব লাগিব। চেষ্টাৰ অসাধ্য একো নাই।

মন কৰিবলগীয়া যে আমাৰ চিন্তাধাৰা ইতিবাচক হ'লেহে সুখৰ অন্বেষণ কৰিব পাৰিম। সেইবাবেই আমি সদায় পুৱা শুই উঠিয়ে কিছুমান ইতিবাচক চিন্তাৰে দিনটো শুভাৰম্ভ কৰাৰ অভ্যাস কৰা উচিত। এই ধৰক— মই আজিৰ দিনটো সুখী হ'বলৈ চেষ্টা কৰিম, দিনটোৰ প্ৰতিটো কামতেই সফলতা লাভ কৰিবলৈ চেষ্টা কৰিম, শুদ্ধ চিন্তা কৰিম, সত্যৰ পথত চলিম, বেয়া কাম নকৰিম, শান্তি বজাই ৰাখিম, আনক মৰম-চেনেহ দিম আদি। এইদৰে প্ৰতিটো দিনেই সুখী হোৱাৰ পণ ল'ব লাগে আৰু এই অভ্যাস অটুট ৰাখিব লাগে। কাৰণ সুখৰ আন এটা নামেই হৈছে অভ্যাস। এইখিনিতে মনলৈ আহিছে আমেৰিকাৰ বিখ্যাত টেলিভিছন শ্ব' এটাত অতিথি হিচাপে আমন্ত্ৰণ জনোৱা এজন অত্যন্ত সুখী ব্যক্তিৰ এষাৰ কথালৈ। অনুষ্ঠানটোৰ পৰিচালকজনে টেলিভিছনৰ সেই ধাৰাবাহিক অনুষ্ঠানটোত এনেকুৱা এজন ব্যক্তিক কেতিয়াও লগ পোৱা নাছিল, যি ইমান সুখী হ'ব পাৰে। সেয়ে তেওঁ সুধিবলৈ বাধ্য হৈছিল— 'আপোনাৰ এই সুখৰ অন্তৰালত নিশ্চয় কিবা অদ্ভুত ৰহস্য আছে!' বৃদ্ধ ব্যক্তিজনে খুব সহজভাৱে কৈছিল— ' মোৰ সুখৰ আঁৰত কোনো অদ্ভুত ৰহস্য নাই। আচলতে কি জানে? পুৱা শুই উঠাৰ পাছত প্ৰত্যেকজন ব্যক্তিৰে সন্মুখত মাত্ৰ দুটাই বিকল্প থাকে— হয় মই সুখী হ'ম, নহয় অসুখী। মই সদায় সুখী হোৱাৰ পণ লওঁ।'

কিন্তু তাকে নকৰি বহুতে কৰে কি আজিৰ দিনটো বেয়া, আজি শুভকাম কৰিবলৈ ল'লে মই সফল হ'ব নোৱাৰিম, ব্যৱসায়ত বিফল হ'ম, যাত্ৰা কৰোঁতেই মেকুৰী এটাই বাট কাটিলে ইত্যাদি ইত্যাদি নেতিবাচক চিন্তাৰে দিনটো আৰম্ভ কৰে। আচলতে এইধৰণৰ নেতিবাচক মানসিকতাৰ ব্যক্তিয়ে কেতিয়াও সুখৰ অমিয় পৰশ লাভ নকৰে। বৰং তেওঁলোক নিজৰ লগতে আনৰো সুখ ধ্বংসহে কৰে। সেয়ে তেওঁলোকক 'সুখ ধ্বংসকাৰী' বুলি অভিহিত কৰিব পাৰি।

কিন্তু মনত ৰাখিব মানুহে তেতিয়াহে এনে ইতিবাচক চিন্তাৰে সদায় সুখী হোৱাৰ পণ ল'ব পাৰিব, যেতিয়া মনটোক নিজৰ ইচ্ছাৰ অধীন বা বহতীয়া কৰি ৰাখিবলৈ সক্ষম হ'ব। আলেকজেণ্ডাৰে হেনো এজন সন্ন্যাসীক সুধিছিল— 'আপোনাৰ একো সা-সম্পত্তি নাই তথাপি আপুনি ইমান সুখী। কিন্তু মই বিশ্ববিজয়ী সম্ৰাট হৈও ইমান অসুখী। কিয়?' সন্ন্যাসীজনে উত্তৰ দিছিল এইবুলি— 'আপুনি আপোনাৰ মনৰ বহতীয়া। সেয়ে আপুনি অসুখী। কিন্তু মোৰ মন মোৰ বহতীয়া। সেয়ে মই সুখী।' পিছে মনত ৰখা ভাল যে আপোনাৰ মনটো আপোনাৰ বহতীয়া কৰি ৰখা ইমান সহজসাধ্যও নহয়। তাৰ বাবে লাগিব অভ্যাস। লাগিব কঠোৰ সাধনা।

আয়াৰলেণ্ডৰ এজন অত্যন্ত সুখী কৃষকে তেওঁ সুখী হোৱাৰ গোপন ৰহস্য সম্পৰ্কে কি কৈছিল মন কৰকচোন। তেওঁ কৈছিল— 'সদায় পুৱা শুই উঠি আৰু ৰাতি শুবৰ সময়ত মই মোৰ মৰমৰ পৰিয়ালৰ সদৌটিক, মোৰ খেতিডৰাক আৰু পোহনীয়া গৰু-ছাগলীকেইটাক আশীৰ্বাদ দিওঁ। ভগৱানক ধন্যবাদ জনাও এডৰা সুন্দৰ খেতিৰ বাবে। এই অভ্যাস মই বিগত চল্লিছ বছৰ ধৰি কৰি আহিছো। গতিকে দেখা যায় যে সুখী হ'বলৈ কেৱল অদম্য হেঁপাহ বা মন থাকিলেই নহ'ব, সুখী হ'বলৈ অভ্যাসো গঢ় দিব লাগিব। তাৰ বাবে লাগিব সাধনাত ৰত হ'ব।'

গতিকে আমি এই সিদ্ধান্তত অৱশ্যে উপনীত হ'ব পাৰো যে সুখ হৈছে মানুহৰ হৃদয়ৰ এক গভীৰতম উপলব্ধি মাথোঁ। ইয়াক চুই চাবও নোৱাৰি, জুখিবও নোৱাৰি। টকা-পইচাৰেও কিনিব নোৱাৰি, দাবী-ধমকি দিও আদায় কৰিব নোৱাৰি; নাইবা খুজি-মাগিও আনিব নোৱাৰি। পাৰি মাথোঁ অনুভৱ কৰিব। সেয়ে দিওঁ বুলিও কোনেও কাকো সুখ দিব নোৱাৰে। কৰো বুলিও কোনেও কাকো সুখী কৰিব নোৱাৰে, যেতিয়ালৈকে নিজে সুখী হোৱা নাযায়।

সেয়ে আহক আমি সুখৰ ঠিকনা বিচাৰি স্বৰ্গ-মৰ্ত্য, আকাশ-পাতাল চলাথ নকৰি আমাৰ মনাকাশত নিহিত সুখৰ লগত অন্তৰংগ আলাপ কৰি স্বৰ্গীয় সুখৰ উমাল কোলাত বিলীন হওঁহঁক। কিয়নো সেইটোৱেই সুখৰ ঠিকনা, সেইকণেই সুখৰ সাম্ৰাজ্য, যিখন সাম্ৰাজ্যৰ সম্ৰাট আমি নিজেই।

*ফোন ঃ ৯৮৬৪৬-৭০৮৬৭*

# পিতনিৰ বোকা, আকাশৰ তৰা আৰু ভাল খবৰৰ দুৰ্ভিক্ষ

*৪ পৃষ্ঠাৰ পৰা*

দহজনে অনুপ্ৰেৰণা পালেহেঁতেন। কিন্তু তেনেকুৱা ইতিবাচক কাম আমাৰ সংবাদ মাধ্যমে নকৰে। ইতিবাচক খবৰবোৰ চাহিদা থকা 'পণ্য' নহয়। এনে খবৰেৰে তেওঁলোকৰ ব্যৱসায় নচলে।

ভাল আৰু বেয়া মানুহৰ সংমিশ্ৰণতেই সমাজ সৃষ্টি যদিও বেয়াতকৈ ভাল মানুহৰ সংখ্যা সদায় অধিক আৰু সেইবাবেই সমাজখন বৰ্তি আছে। প্ৰতিজন মানুহকেই এটা এটা খবৰৰ উৎস বুলি ধৰি ল'ব পাৰিলে ভাল খবৰ কেতিয়াও মৰিছাছ দ্বীপৰ ড'ড' চৰাই হ'ব নোৱাৰে। সমাজত ভাল মানুহ যেতিয়ালৈকে থাকিব, ভাল খবৰৰো তেতিয়ালৈকে কোনো অভাৱ নহ'ব। এতিয়াও আমাৰ ৰাজ্যখনৰ চুকে-কোণে বহু মানুহে নীৰৱে বহু ভাল কামত আত্মনিয়োগ কৰি আছে। কৃষি-অৰ্থনীতি-বাণিজ্য-ক্ৰীড়া-সাহিত্য-সংস্কৃতি-প্ৰকৃতি-পৰিৱেশ-শিল্পকলা আদি জীৱন-জীৱিকাৰ প্ৰতিটো দিশতে বহুলোকে নিজৰ নিজৰ স্বকীয় প্ৰতিভা আৰু ইচ্ছাশক্তিৰে নিজৰ কৰ্তব্য পালন কৰি গৈছে। কিন্তু আমাৰ প্ৰচাৰ মাধ্যমে এওঁলোকক বিচাৰি নাপায়। নিজৰ কৃতিত্বৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো স্বীকৃতি লাভ কৰাৰ পাছতহে স্থানীয় সাংবাদিকে খবৰ পোৱাৰ দৰে ঘটনা আমাৰ এই মুলুকতে বহুবাৰ ঘটিছে। এইবোৰেই প্ৰমাণ কৰে যে ভাল খবৰৰ আচলতে অভাৱ হোৱা নাই। গেলা আলু-পিঁয়াজ বিক্ৰী কৰিবৰ বাবে ফাঁচীবজাৰৰ বণিয়াই এইবোৰৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰাৰ দৰে আমাৰ প্ৰায়বোৰ প্ৰচাৰ মাধ্যমেও ভাল খবৰবোৰ লুকুৱাই ৰাখি ভু-ভাৰস্তৰ টেঙা খবৰবোৰেৰে আমাক অখাদ্য খুৱাই আছে আৰু খোৱাৰ নিচাত মুখ বিকটাই হ'লেও আমি সেইবোৰকে গো-গ্ৰাসে গিলি আছো।

এতিয়া কথা হ'ল— প্ৰচাৰ মাধ্যমে হাত দাঙি দিলে বুলিয়েই ভাল খবৰবোৰক আমি হেৰাই যাবলৈ দিমনে? ভাল খবৰৰ উৎপাদনত লালবাতি জ্বলিবলৈ এৰি দিব পাৰিমনে? ভাল খবৰৰ স্ৰষ্টাসকলক স্বীকৃতি দিবলৈ কাৰ্পণ্য কৰিমনে? এটা কথা অৱশ্যে ঠিক যে ভাল খবৰৰ স্ৰষ্টাসকলে কাৰোবাৰ স্বীকৃতিৰ আশাত কাম নকৰে। তেওঁলোক সাধাৰণতে সদায় প্ৰচাৰবিমুখ হয় বা আংশিক প্ৰচাৰ বিচাৰিলেও কামটোৰ সফল সমাপ্তিৰ পাছতহে সেয়া আশা কৰে। ৰাম নৌওপজোঁতেই ৰামায়ণ ৰচনা কৰাটো নিবিচাৰে তেওঁলোকে। হ'লেও, তেওঁলোকে গুৰুত্ব নিদিলেও সমাজৰ স্বাৰ্থৰ খাটিৰত এনে ইতিবাচক খবৰবোৰে সঠিক প্ৰচাৰ পোৱাটো ভাল আৰু এই কাম জনসাধাৰণে নিজেই কৰিব পাৰে। নিজৰ অঞ্চলৰ এনে কাম-কাজবোৰক অঞ্চলটোৰ সচেতন ৰাইজে লগ হৈ ৰাজহুৱাকৈ স্বীকৃতি প্ৰদান কৰিব পাৰে আৰু এনেধৰণৰ কামৰ দ্বাৰা আনক অনুপ্ৰাণিত কৰি তুলিব পাৰে। মাথোঁ এয়াই নহয়, মন মেলিলেই ৰাইজে লগ হৈ নিজেই ভাল খবৰ সৃষ্টিও কৰিব পাৰে। ৰাজহুৱা সভা পাতি নিজৰ অঞ্চলটোৰ সমস্যাবিসাক চিনাক্ত কৰিব পাৰে, বিশেষজ্ঞৰ সহায়ত সিবিলাকৰ সমাধানৰ পৰিকল্পনা যুগুত কৰিব পাৰে আৰু চৰকাৰৰ মুখলৈ বাট চাই নাথাকি নিজৰ সামৰ্থ্যৰ ভিতৰত পৰাকৈ গুৰুত্বানুসাৰে সিবিলাকৰ সমাধানত হাতে-কামে লাগি যাব পাৰে। নিজৰ অঞ্চলত চলা চৰকাৰী আঁচনিৰ কাম-কাজবোৰ সুচাৰুৰূপে চলিছেনে নাই সেয়া কাঢ়া পৰ্যবেক্ষণত ৰাখিব পাৰে। জনসাধাৰণৰ মাজত এনেধৰণৰ স্ব-সচেতনতা গঢ় লৈ উঠিলে কাৰোবাৰ অদৃশ্য নিয়ন্ত্ৰণত কেতিয়াও নিজৰ অঞ্চলৰ উন্নয়ন বাধাগ্ৰস্ত হ'ব নোৱাৰে।

খবৰ এটাক কেতিয়া 'ভাল খবৰ' বুলি অভিহিত কৰিব পাৰি তাৰ কোনো নিৰ্দিষ্ট সংজ্ঞা থাকিব পাৰে বুলি আমি নাভাবো। একেটা খবৰেই কাৰোবাৰ বাবে যদি ভাল বুলি বিবেচিত হয়, আন কাৰোবাৰ বাবে সি তাৰ বিপৰীতো হ'ব পাৰে। 'ভাস খবৰ'বোৰ প্ৰকৃততে এনেকুৱা হ'ব লাগে, যাতে সকলোৰে বাবে সি ইতিবাচক ৰূপতে গ্ৰহণযোগ্য হয়। ভাল খবৰবোৰত বিশ্বজনীনতা থাকিব লাগে। শ্ৰীলংকাই এল টি টি ইক নিঃশেষ কৰাটো শ্ৰীলংকান চৰকাৰৰ বাবে ভাল খবৰ হ'লেও মানৱতা বা মানৱ অধিকাৰৰ দিশৰ পৰা ই এটা ভয়ংকৰ খবৰ। বিপৰীতে শ্ৰীলংকাৰ একালৰ যুদ্ধভূমিত এতিয়া এখন সেউজ অভয়াৰণ্য গঢ় লৈ উঠাটো সকলোৰে বাবে গ্ৰহণযোগ্য এটা 'বিশ্বজনীন' ভাল খবৰ।

হোমেন বৰগোহাঞিয়ে ক'বৰ দৰে পিতনিৰ বোকাৰ মোহ এৰি আমাৰ সাংবাদিকে আকাশৰ তৰাবোৰলৈও ডিঙি মেলি চাবৰ হ'ল। একেকন খিৰিকীৰেই দুয়োটা চাব পাৰি, চাওঁতাৰ দৃষ্টিভংগী আৰু মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰিব তেওঁৰ চকুত প্ৰথমে কি পৰে। আমাৰ সাংবাদিকে নিজৰ দৃষ্টিভংগী আৰু মানসিকতা দুয়োটাৰে সংশোধন ঘটাবৰ হ'ল। জনতাৰ সন্মুখত নীলা শিয়ালৰ মুখা সোলকাৰ আগতে আমাৰ প্ৰচাৰ মাধ্যমেও মোট সলোৱাৰ সময় পালেহি। ইতিহাসৰ সেই আওপুৰণি অথচ চিৰনতুন সত্যটো তেওঁলোকে আকৌ এবাৰ মনত পেলাবৰ হ'ল যে সাংবাদিকে সংবাদ সৃষ্টি নকৰে, সংবাদেহে সাংবাদিক সৃষ্টি কৰে। সংবাদ মাধ্যমে বিলাবলৈ কাৰ্পণ্য কৰিলেও সেয়ে ইতিবাচক খবৰবোৰ সদায় পৰ্দাৰ আঁৰত লুকাই নাথাকে। অসমৰ জনসাধাৰণৰ মাজতো ৰাজনৈতিক-শৈক্ষিক-সামাজিক সচেতনতা ক্ৰমাৎ বাঢ়ি আহিছে। আমি আশা কৰিব পাৰো— ভাল খবৰ বিচাৰি এতিয়াৰ দৰে হাবাথুৰি খাবলগীয়া পৰিস্থিতিৰ খুউব সোনকালেই অৱসান ঘটিব। খুউব সোনকালেই এনে এটা সময় আহিব, যেতিয়া আমি ভাল খবৰ বিচাৰি ফুৰাৰ সলনি ভাল খবৰেহে আমাক বিচাৰি ফুৰিব।

*ফোন ঃ ৯৫০৮৫-৫৩২১৪*

**অ ণু গ ল্প**

# জীৱশ্ৰেষ্ঠ

● **দীপাংকৰ বৰুৱা**

**দি**নত মূৰৰ ওপৰত মতা কাউৰীজনীয়ে অমংগল মাতি আনি আৰু পুৱা একেজনী কাউৰীয়ে দিনটোৰ শুভ আৰম্ভণি কৰে...।

বলধহালো বৃদ্ধ হ'লে অমংগল মাতে, তাৰ আগলৈকে সোণ সিঁচিছিলে।
আমি জীৱশ্ৰেষ্ঠ, আমি সকলো ভুল-শুদ্ধ বিচাৰ কৰো...।
আমি তেজৰ এনেকুৱা এখন বেপাৰ খুলি থৈছো যত ইচ্ছা মতে এজাক পক্ষীক আমি হত্যা কৰিব পাৰো...।
আমি এনেকুৱা ধৰ্মও পালন কৰিছো, য'ত এজাক মুক্ত পক্ষীক বন্দী কৰি ৰাখিছো...।
আমি এনেকুৱা স্বাধীনতাও লাভ কৰিছো, য'ত আন এটা জীৱক উচিত মূল্যত বজাৰত এৰি দিছো...।
আমি জীৱশ্ৰেষ্ঠ আমি সকলো কৰিব পাৰো।
নিৰ্লজ্জতাৰ সীমা পাৰ কৰি
বৰ্বৰতাৰে আক্ৰমণ কৰি
নিষ্ঠুৰতাৰে জীৱন কাঢ়ি
কেতিয়া শেষ হ'ব জীৱশ্ৰেষ্ঠৰ এই ভুৱা বিশেষণ...।
এয়াও আমি নিজেই কৰিব পাৰো, কাৰণ আমি জীৱশ্ৰেষ্ঠ।

*ফোন ঃ ৮৬৩৮২-৮৫৫২৮*

# চিন্তা

• ত্ৰিদিৱ কেওঁট

আহোঁ-নাহোঁকৈ প্ৰাতঃ ভ্ৰমণলৈ ওলাই অহা ৰহমানৰ মনটো কিছুদিনৰ পৰা একেবাৰে ফৰকাল নহয়, গধুৰ। কলিয়া ডাৱৰে আকাশ ছানি ধৰি তেজাল পৃথিৱীখনক অন্ধকাৰৰ গহ্বৰলৈ ঠিক লৈ যোৱাৰ দৰে...। বুকুৰ ভিতৰখন যে বতাহ-ধুমুহা, বিজুলী-ঢেৰেকনিয়ে তোলপাৰ লগাই আছে চকুৰে-মুখে সেই কথা ফুটি উঠিছে। একেই অৱস্থা শৰ্মাৰো। সহজ হৈ থাকিব পৰা নাই, সময়বোৰ শান্তিৰে পাৰ কৰিব পৰা নাই চাৰিওফালে কেৱল অসহজ... কেৱল অসহজ ৰহমান আৰু শৰ্মা দুয়োৰে পুৰা খোজ কঢ়াতো পুৰণি অভ্যাস। একে চুবুৰিৰ হোৱা বাবে অৱসৰ লোৱাৰ পাছৰেপৰা প্ৰায়েই দুয়ো একেলগে প্ৰাতঃভ্ৰমণলৈ যায়। ৰহমানৰ গধুৰ মনটো দেখি শৰ্মাই সুধিলে— 'কি হ'ল ৰহমান, শৰীৰে আমনি কৰিছে নেকি? বয়সৰ হেঁচা বুজিছে থকা দিনকেইটা সহ্য কৰিবই লাগিব।' 'নহয় শৰ্মা, শৰীৰ ঠিকেই আছে। মনৰ অসুখ...। শান্তি নাই মনৰ। স্থিৰেৰে থাকিব নোৱাৰা অৱস্থাৰ মাজেৰে দিনবোৰ পাৰ কৰিব লগা হোৱা নাইনে বাৰু..? এক সংকটপূৰ্ণ অৱস্থাৰ মাজেৰে অসমীয়া জাতিয়ে আজি আপোন-জন্মগত অধিকাৰৰ পৰাও কেনেকৈ বঞ্চিত হ'বলৈ ওলাইছে এই অভিসন্ধিবোৰৰ চিন্তাই দেহ-মন ক্ৰমে ভাৰাক্ৰান্ত কৰি তুলিছে। ৰক্ষাৰ বুলেটে যেতিয়া ভক্ষক হৈ বুকু ভেদি ফুলকুমলীয়া সন্তানৰ তপত তেজেৰে ৰাজআলিত নৈ বয় মনৰ শান্তি থাকিব জানো শৰ্মা...?' 'ফটা জোতা' আৰু 'ফটা কথা' এই দুয়োটা শব্দৰ ব্যৱহাৰিক আৰু ক্ৰিয়াগত অৰ্থ সম্পূৰ্ণ একেই বুজিছে ৰহমান।' 'কিয় ক'লে শৰ্মা?' 'বুজি আপুনিও পাইছে বা সময়ৰ তাগিদাত মোৰ দৰে বহুজনৰ মাজৰ হৈ শব্দবোৰৰ প্ৰায়োগিক অৰ্থ অনুভৱো কৰিছে...।

জোতা এযোৰ ওপৰে ওপৰে ভালকৈ পিন্ধাৰ উপযোগী হৈ থকা দেখিলেও তলপিনে যদি অকণমানো ছিদ্ৰ ওলাই ফাট মেলে, তেনেহ'লে যিমানেই ৰং কৰি উজলাই নিপিন্ধক তলুৱা ভিজি ভিজি খজুৱতি হ'বই। হয়নে?'

'হয় শৰ্মা। সময়ে সকলো সলনি কৰে। যাক আপুনি মই আমাৰ সকলো বিশ্বাস আৰু আস্থাক উছৰ্গা কৰি নতুনত্বৰ সমীকৰণৰে জোৱাৰ সপোন দেখিছিলো, আমি প্ৰতিজনেই সুখ-সমৃদ্ধিৰে পূৰ্ণ আৰু নিৰপেক্ষ চিত্ৰ এখন সপোনৰ দৰে আশা কৰিছিলো এই সকলোবোৰ আমাৰ বাবে যেন বিদ্ৰুপ হৈ ৰৈ আছিল। কিন্তু শৰ্মা, সময় বৰ কৌশলী, সময়ে যেনেকৈ সুবিধা দিয়ে, আশীবাদ দিয়ে, প্ৰশ্ৰ কৰে, ঠিক তেনেকৈ নিমিষতে উঁইহাফলুৰ দৰে খহাই নিঃশেষ কৰি চিনমোকাম নোহোৱা কৰি পেলায়। ক্ষমতা কুক্ষিগত কৰাৰ লালসাত নিজৰ বিবেক-বিবেচনাক কেনেকৈ নিৰ্লজ্জভাৱে বিক্ৰী কৰিব পাৰে, নিজকে ভূমিপুত্ৰ বুলি বলিয়ালি কৰি দাসত্ব শাৰীলৈ নামি গৈ আপোন মাতৃভূমিক বন্ধকত থ'ব পাৰে তাৰ জ্বলন্ত উদাহৰণ এতিয়া চকুৰ সমুখত।'

'কিন্তু ৰহমান..., এই সমস্ত কথাবোৰৰ উত্তৰটো কি জানেনে...? মানুহ যেনেকৈ গাড়ীৰ ওপৰত উঠি ফুৰে, কেতিয়াবা মানুহৰ ওপৰতো গাড়ী উঠে। লোভক প্ৰশ্ৰয় দিয়েই পৃথিৱীত সংঘটিত হৈছে স্বৈৰাচাৰিতা, ধ্বংসলীলা, হত্যা যুদ্ধ দমন অনেক। ৰাৱণৰ সোণৰ লংকাৰ পৰা ছাদ্দাম হুছেইনৰ বিলাসী সাম্ৰাজ্যলৈকে কাৰণ এটাই 'লোভ'। পতনৰ অভিধানখনৰ প্ৰথম শব্দটোৱেই হৈছে 'লোভ'। জীৱনবোধৰ সংজ্ঞাৰে বক্তৃতা দিয়াজনৰ যদি মানৱতাৰ নূন্যতম আদৰখিনিয়েই লোপ পাই তেনেহ'লে সমাজ গঢ়াৰ অংশীদাৰ হোৱাৰ, অধিকাৰৰ কথা কোৱাৰ কি অৰ্থ থাকিব, কেনেকৈ থাকিব। এইবোৰেই হ'ল 'ফট-কথা'। 'শুনক শৰ্মা, দলাৰ বগৰী হৈও জনতাৰ আঙুলিৰ চিয়াঁহীৰে ৰাজপাট শুৱনি কৰা ৰজা-মহাৰজাসকলৰ বাবে দেশ আৰু স্বজাতিৰ হকে মাত মতা প্ৰতিজন নাগৰিকেই দেশদ্ৰোহী। স্বৰূপাৰ্থত ৰাজভৱনত বাস কৰাসকলৰ এনে চিন্তাৰ দৈন্য কিমান মাৰাত্মক আৰু জাতিৰ সৰ্বাংগীন উন্নতি শ শ বছৰলৈ যে পিছুৱাই নিছে সেই কথা তেওঁলোকে বুজি পোৱাৰ পাছতো কেৱল ক্ষমতাৰ খকত গান্ধাৰী হৈ ৰৈছে। ছলে-বলে-কৌশলে প্ৰতিপন্ন কৰিবলৈ বিচাৰে তেওঁলোকৰ কথা আৰু ৰণনীতিসমূহেই সৰ্বশ্ৰেষ্ঠ বুলি। যুক্তি-ন্যায় অদূৰত, প্ৰথমেই ভ্ৰষ্টাচাৰ। কথাবোৰ অঁকৰা মৈইত উঠাৰ লেখীয়া।'

'শৰ্মা, কাউৰী আৰু কুলিৰ মাজৰ মানসিক ব্যৱধানবোৰ মন কৰিছেনে? কাউৰীৰ বাহতে ছল কৰি সন্তান জন্ম দিয়াৰ পাছতো কাউৰীৰ বিননিত কুলিৰ হৃদয় কম্পিত হোৱা কেতিয়াবা দেখিছে? ক্ষমা কৰিব শৰ্মা আৰু নিসংকোচে ক'বলৈ বাধ্য হৈছো যুগ যুগ ধৰি আমাক কাউৰী সজাই কুলিৰ ৰহণ সানি টোঘলকী নীতিৰ এই ৰাজনৈতিক ব্যৱস্থাই আমাৰ সকলো আশা-স্বাধীনতা-ঐক্যতা খণ্ড খণ্ড কৰি পেলালে, সেয়ে আমিও সকলো জনগণে কুলিৰ নীতি গ্ৰহণ কৰি আমাৰ ঐকতাক খণ্ডিত কৰিব বিচৰাসকলক কন্দুৱাবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'বই লাগিব। তেওঁলোকৰ অভিসন্ধিক ওফৰাবই লাগিব। আৰু দেশদ্ৰোহী সজোৱাৰ নমুনা চাওকচোন। মাৰ্ক্সবাদৰ কিতাপ পঢ়িলেই দেশৰ নাগৰিকক বিদ্ৰোহী সজাই দেশদ্ৰোহী সজাই আইনী মেৰপেঁচৰ মাজৰে কণ্ঠৰুদ্ধ কৰি কাৰাগাৰৰ কুঠৰীলৈ নিক্ষেপ কৰে। এনে সৰ্বগুণী ব্যক্তিসকলৰ পৰা আমি কি আশা কৰিব পাৰো? এনে লোকে যেতিয়া সমুখত সাধাৰণ জনগণক বহুৱাই গণতন্ত্ৰৰ খেতি কৰি দেশৰ প্ৰতিজন নাগৰিকক মৌলিক অধিকাৰৰ আৰু মুক্ত স্বাধীনতাৰ মিঠাফল খুওৱাৰ কথা কয় তেতিয়াই বুজি পোৱা যায় দেশৰ হকে তেওঁলোকৰ চিন্তা তথা আন্তৰিকতাৰ গভীৰতা আৰু প্ৰহসন ক'ত। আচলতে কি জানে ৰহমান(?)..গণতন্ত্ৰ সমাজবাদৰ সংজ্ঞা এটা সময়ৰ পৰা তেওঁলোকৰ অনুধাৱন কৰিবলৈ আহৰি নাই বা প্ৰয়োজন নাই। কিয়নো মাৰ্ক্সবাদৰ কিতাপ তেওঁলোকৰ ড্ৰয়িং ৰুমত মৰহি যোৱা ফুলৰ লেখীয়া, কিয়নো এনে কিতাপ দামী দামী আলমিৰাত ঘুণে ধৰিবলৈহে তেওঁলোকে সজায়, পঢ়িবলৈ নহয়।

'শৰ্মা...এনে কৰ্মকাণ্ডই মন-মগজু সম্পূৰ্ণৰূপে ঘোলা কৰি পোলাইছে। তথাপি আমি পিছলিব নালাগিব। কৈছোৱেই শৰ্মা, কাউৰীয়ে কা কা কৈ বিননি জুৰিলেও কুলিৰ অন্তৰত মৰম কেতিয়াও নোপজে..কুলিৰ মাতহে সুৰীয়া স্বভাৱ কিন্তু কাউৰীৰ দৰে সৰল বিশ্বাসী আৰু পোন নহয়। এনে অশুভ চক্ৰক পদদলিত কৰিবৰ কাৰণে আমি আমাৰো স্বভাৱ কুলিলৈ পৰিৱৰ্তন কৰিবই লাগিব। তেওঁলোকৰ পাশাখেলে আমাৰ উঠি অহা প্ৰজন্মৰ ভাষা-কৃষ্টি-সংস্কৃতি-অধিকাৰ-ন্যায্যতাৰ যাতে বস্ত্ৰহৰণ কৰিব নোৱাৰে এই বিষয়ে আমি বুজিব লাগিব আৰু সকলোকে বুজাব লাগিব। তেনেহ'লে 'দেশদ্ৰোহী'ৰ অভিধা দিলেও আপত্তি নাই।' 'হয় ৰহমান হয়।'

'শৰ্মা যেতিয়ালৈকে দেশ আৰু স্বজাতিৰ এই সংঘাত- এই সংকটপূৰ্ণ পৰিস্থিতিক মষিমূৰ কৰি সমগ্ৰ জাতিৰ ভৱিষ্যৎ চিৰদিনলৈ সুৰক্ষিত নহয় তেতিয়ালৈকে আমি যুঁজিবই লাগিব। তেহে সুখেৰে জীয়াই থাকিব পাৰিম, এগৰাহ ভাত তৃপ্তিৰে খাব পাৰিম, শান্তিৰে উশাহ ল'ব পাৰিম।...কথাৰ শেষ নাই শৰ্মা, কথা পাতোতে পাতোতে আপোনাৰ পদূলি পাৰেই হৈ আহিলো। আহক আমাৰ ঘৰতে খন্তেক বহি দুয়োৱে চাহ এটুপিকে খাই লওঁ।' 'ব'লক ৰহমান, আপোনাৰ ঘৰতে আজি চাহকাপৰ লেঠাটো মাৰি যাওঁ। আৰু আমি সকলোৱে ভগৱানৰ ওচৰত মিনতি জনাওঁ যিবোৰ অশুভ শক্তিয়ে দেশৰ অখণ্ডতা, জাতীয় মৰ্যাদা সুৰক্ষাৰ পথত হেঙাৰ হৈ থিয় দিছে সেই অশুভ শক্তিসমূহৰ হৃদয়ত-মনত শুভ বুদ্ধিৰ উদয় হওক। যুগ-যুগান্তৰলৈ এই জাতিৰ মান-স্বাভিমান, ঐশ্বৰ্য, ভাষা-সংস্কৃতি-সম্পদ গৌৰৱৰে জীয়াই থাকক, আমাৰ সতি সন্ততিয়ে স্বাধীনতা তথা মৌলিক অধিকাৰৰ অৰ্থক বিকলাংগ বুলি ভাবিবলৈ যাতে বাধ্য নহয়।'

'শুনকচোন শৰ্মা কাণ পাতি শুনক। যাযাবৰী গণশিল্পী আমাৰ বুকুৰ কুটুম অমৰ ভূপেনদাৰ সেই কালজয়ী গীতসমূহে কেনেদৰে অসমৰ আকাশ-বতাহ কঁপাই তুলিছে..' আহ আহ ওলাই সজাগ জনতা, আহ আহ ওলাই আহ পোহৰ আনোতা, ৰামৰে দেশতে থকা ৰাৱণ বধোতে, যায় যদি যায় জীৱনটো যাক... আকৌ যদি যাব লাগে শৰাইঘাটলৈ, লুইত পাৰৰ ডেকা বন্ধু নেথাকিবা ৰৈ...।'

*ফোন ঃ ৯৭০৬৪-৭৯১১৪*

## অণুগল্প

# জীৱন সংগ্ৰাম

• বৰ্ণালী দত্ত

**ন** কইনাৰ সাজত মলয়াৰ পৰা আশিস বিচাৰি অহা একমাত্ৰ জীয়েকক দেখি তাইৰ অন্তৰৰ বহু কথাই যেন পুনৰ জীপাল হৈ পৰিল। হোমৰ জুই, ৰাইজৰ আশিসক সাক্ষী কৰি এনে এটা দিনতে তাইকো উলিয়াই দিয়া হৈছিল এইখন ঘৰৰ বোৱাৰী হ'বলৈ। শাহু-শহুৰ, দেওৰেৰে পৰিপূৰ্ণ ঘৰখনত তাই নিজকে বহুত সুখী অনুভৱ কৰিছিল। মলয়াৰ মাক-দেউতাকেও জিণ্টুৰ দৰে এজন যোগ্য যুৱকৰ হাতত নিজ কন্যাক গতাবলৈ পাই ধন্য মানিছিল। বিয়াৰ এবছৰ সম্পূৰ্ণ নৌহওঁতেই মলয়াহঁতৰ সংসাৰলৈ নতুন সদস্যৰ আগমন ঘটিছিল। কথাটো জনাৰ পিছৰে পৰা দূৰৈত থকা স্বামীক তাৎক্ষণিকভাৱে কোৱাৰ পৰিৱৰ্তে সমুখত বতৰাটো দিবলৈ অধীৰ হেঁপাহেৰে মলয়াই সেই বিশেষ দিনটোলৈ বাট চাইছিল। আন দহগৰাকী মাতৃৰ দৰে তায়ো সপোন দেখিছিল নিজ সন্তানক মানুহ কৰাৰ, বিশেষকৈ স্বামীৰ দৰে এজন সুযোগ্য সন্তান হিচাপে গঢ়ি তোলাৰ। কিন্তু সেই বিশেষ দিনটোত স্বামীৰ সলনি আহিল তেওঁ পৰলোকগামী হোৱাৰ বতৰাহে। এই দুখৰ মাজতো তাই আহিব লগা সন্তানৰ বাবে বুকুত বহুত সাহস বান্ধি সকলো দায়িত্ব পালন কৰি গৈছিল। সেই সাহসৰ বাবেই যেন আজি তাই জীৱন যুঁজত জয়ী হৈছে। কিয়নো তাইৰ সন্তানে আজি সঁচাকৈয়ে শ্বহীদৰ প্ৰকৃত সন্তান হিচাপে সাহসিকতাৰ পৰিচয় দি নিজে জীৱনসংগী ৰূপে বাছি লৈছে এজন দেশপ্ৰেমী জোৱানক।

*ফোন ঃ ৮৬৩৮৬-৯৬১৯২*

## চকুচৰহাৰ কলম

# ভাইৰাছৰ বিৰুদ্ধে যুঁজ

**বি**শ্বৰ সৰ্বস্তৰৰ মানুহৰ মাজত এতিয়া কৰোনা ভাইৰাছৰ আতংক। সৰ্বসাধাৰণ লোকতকৈয়ে এতিয়া ধনী-মানী-গুণী লোক হিচাপে যিসকলে পৰিচয় দিবলৈ ভাল পায় তেওঁলোকৰ মনত মৃত্যুভয় অতি বেছি। কৰোনাৰ ভয়ত এতিয়া বহুসংখ্যক লোকে ঘৰৰ পৰা ওলাবলৈকে ভয় কৰিছে। ৰাজনৈতিক নেতাসকলে সাধাৰণতে উৎসৱ-পাৰ্বণ, সভা-সমিতি আদিত উপস্থিত থাকিবলৈ ভাল পায় যদিও এইবাৰ কিন্তু এনেবোৰ অনুষ্ঠানৰ নিমন্ত্ৰণক একেকোবে না কৰি দিছে। সভা-সমিতিলৈ যোৱাতকৈ ঘৰত সোমাই থকাকে অগ্ৰাধিকাৰ দিছে। প্ৰশাসনেও সভা-সমিতি, উৎসৱ-পাৰ্বণত নিষেধাজ্ঞা আৰোপ কৰিছে। হয়ো দিয়কচোন, দেহা থাকিলেহে বেহা। দেহাই যদি নথকাৰ উপক্ৰম হয়, তেনেহ'লে টকা-পইচা ঘটিলেনো কি লাভ হ'ব। মহাপুৰুষজনাই এনেয়ে কৈ যোৱা নাই— 'অথিৰ ধন-জন, অথিৰ জীৱন অথিৰ এহু সংসাৰ।' মহাপুৰুষজনাৰ বাণীক ইমানদিনে কোনেও গুৰুত্ব দিয়া নাছিল। নিছলা-দুখীয়া সাধাৰণ মানুহে মহাপুৰুষজনাৰ বাণীৰে নিজৰ অভাৱী জীৱনৰ কথাবোৰ পাহৰিবলৈ চেষ্টা কৰিলেও তথাকথিত 'ডাঙৰ মানুহ'বোৰে এইবোৰ কথাত কোনো গুৰুত্বই দিয়া নাছিল। দুহাতেৰে ধন চপোৱাতহে সদা ব্যস্ত আছিল। এতিয়া অৱশ্যে বুজি পাইছে টকা-ক্ষমতা-সন্মানতকৈ জীৱনটো ডাঙৰ। তথাকথিত ডাঙৰ মানুহবোৰ ঘৰৰ ভিতৰত সোমাই থকা, প্ৰতিষেধক ব্যৱস্থা গ্ৰহণত অসুবিধা নাই। কিন্তু দাখন হাতত লৈ ওলাই নগ'লে অথবা বজাৰত শাক-পাচলিকেইডাল নেবেচিলে যিসকলৰ চৰুত জুই নজ্বলে সেইসকলে কৰিব কি? এই শ্ৰমজীৱী লোকসকলে যিটো পৰিৱেশত বসবাস কৰি জীৱন সংগ্ৰামত ব্যস্ত থাকিব লাগে সেইসকলৰ শুকান আতংকময় মুখবোৰত হাঁহি ফুটাবলৈ আগবাঢ়ি আহিবলৈ এতিয়া নিশ্চয় কাৰোৰে আহৰি নোলাব। ক্ষমতাৰ বাবে সময়বিশেষে সাধাৰণ জনতাৰ ভৰিত পৰা লোকসকল এতিয়া মৃত্যুৰ ভয়ত স্বেচ্ছা বন্দী। নিৰ্ধাৰিত দিন-তাৰিখ ঘোষণা কৰি দিছে বাহিৰলৈ নোলোৱাৰ। সাধাৰণ জনতাৰ যি হয় হওক, মই বাচি থাকিব পাৰিলেই হ'ল। সাধাৰণ জনতাই বজাৰ-সমাৰ কৰিবই লাগিব, বাছ-ৰিক্সাত যাবই লাগিব, অফিচ-কাছাৰীত উপস্থিত থাকি নিজৰ দায়িত্ব পালন কৰাৰ বাহিৰে গত্যন্তৰ নাই। নেতাসকল সুস্থভাৱে বাচি থাকিলেহে সাধাৰণ জনতাৰ সা-সুবিধাৰ কথা চিন্তা কৰিব পাৰিব। এতিয়া আমাৰ নেতা-পালিনেতাসকলক প্লাষ্টিকজাতীয় সামগ্ৰীৰে বান্ধি-মেলি আছুতীয়াকৈ ৰখাৰ বাহিৰে আন কোনো বিকল্প নাই। অৱশ্যে কিছুসংখ্যক অতি মানৱীয় বুদ্ধিসম্পন্ন লোকে গো-মূত্ৰ পান কৰাই ৰাইজক ৰক্ষা কৰাৰ প্ৰয়াস চলাইছে। নেতাসকলেও এই বিষয়ে চিন্তা-চৰ্চা কৰি চাব পাৰে। গোবৰৰ গুণাগুণ প্ৰকাশ কৰি বিখ্যাত হোৱাত অসম কন্যাগৰাকীয়ে এইক্ষেত্ৰত আগভাগ লোৱা ভাল। কৰোনা ভাইৰাছক নিৰ্মূল কৰিবলৈ আমি সকলোৱে যিদৰে ঐক্যবদ্ধভাৱে সংগ্ৰামত নামিছো (নমা উচিত) সেয়া নিশ্চয় এদিন নহয় এদিন সফল হ'বই। কৰোনা ভাইৰাছ এদিন নোহোৱা হ'ব, পাছে আমাৰ সমাজত বিষবাষ্প হিচাপে পৰিচিত ভাইৰাছসমূহ কেতিয়া নিয়ন্ত্ৰণ কৰিব পৰা যাব সেয়াহে একেবাৰে অনিশ্চিত হৈ আছে। সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্ট কৰিব পৰা সমাজৰ ভাইৰাছসমূহ নিৰ্মূল কৰিবলৈও আমি সাজু হ'বৰ হ'ল।

# কোন তুমি ?

● এন হক (জান)

দুচকুত দুচামুচ নীলা
গোলাপী গালত
চুলিকোছাৰ অবাধ্য বোল
ওঁঠত দুপিয়লা তৃষ্ণা
কঁকালত এয়া বাৰু কিহৰ মেলা ?

তোমাৰ গাৰ গোলাপী গোন্ধত
উন্মনা ফাগুনত মতলীয়া মন
বুকুৰ গীটাৰত বাজে ঐঃনিতম
জানোচা
তুমি কত দিনৰ আপোন

কোন সৰগৰ গোপিনী তুমি
আহিলা কিয় মোৰ বৃন্দাবনত
উছন পৰা বুকুত
বসন্ত নমোৱা অপেশ্বৰী
মেনকা নে উৰ্বশী
কৈ যোৱা, কোন তুমি ?

*ফোন ঃ ৯১০১৮-২৮১৫৯*

# বৃষ্টি

● ৰিদিপ সোণোৱাল

ফাগুনৰ ধূসৰিত বাট
এজাক বৃষ্টি
নিৰ্মল হৈ পৰিল
টাউনৰ পৰিৱেশ
উন্মনা হৈ থকা মন
ৰোমান্টিক হৈ পৰিল।
চৰৰ কঁহুৱা গজালি
এজাক বৃষ্টিত
প্ৰাণ পাই উঠিল
নদীৰ কাষৰ বালিচৰৰ
ঘাটত নিমামাও হৈ পৰিল।

*ফোন ঃ ৮৭২১৮-০৬৮৬১*

# বিদায় ফাগুন

● অৰ্ণৱজান তালুকদাৰ

সৰাপাতৰ দুনীয়াত বতাহৰ হেন্দোলনী
সময়ে যে নকৰে ওভতনি যাত্ৰা,
হাঁহিৰ আঁৰত শুকান মুখ
পেটৰ ভোকত উচুপে জনতা।

মুক্ত বিহংগৰ চকুত চকুলো
ওভতাই নিয়ক স্বাধীনতা,
মাটিৰ গোন্ধ পাবলৈ নাই
কেৱল কংক্ৰীট আৰু জটিলতা।

ৰাতিৰ নগৰীত কেৱল মায়া
নাই অকণো আকুলতা,
মাথোঁ নাৰীয়ে নহয় আজি
স্বাধীনতাও ধৰ্ষিতা।

আৰু কিমান শুনাম, কিমান শুনিবি
দেশৰ-দহৰ সমস্যা,
যা যাগে ফাগুন তোৰ দেশলৈ
আকৌ লগ পোৱাৰ অপেক্ষা।

আজিৰ কুঁহিপাত কাইলৈ সৰাপাত হ'ব,
কবিবোৰে যে আকৌ লিখিব
তোক লৈ কবিতা।

# নিতৌ টৌ জিলমিল দিঁচে নদী

● ড° কিশোৰ কুমাৰ দেউৰী

বুকুত আঁকি থোৱা আছে
এখন নদীৰ ছবি
হেঁপাহৰ পৰা অনুভৱলৈ বৈ যোৱা
চকুলো জিলমিল এই নদী

আৱৰণহীন মোৰ শৈশৱে
মাছবোকাৰ দৰে
কিমানবাৰ জঁপিয়াইছিল
এই নদীৰ পাৰত

বুটামহীন ৰছী বন্ধা হাফপেণ্টৰ
উৎসাহক লালন কৰিছিলো
এই নদীৰ পাৰত

দলিয়াইছিলো নদীৰ বুকুলৈ
ভেকুলী জাঁপ দিয়া শিলবোৰ
উৰি গৈছিল শিলবোৰ মোৰ হাতৰ পৰা
নদীত বিলীন হ'বলৈ!

নদীৰ বুকুত কাঞ্চলীৰ লুটি
ইলুটি চা বোলে সিলুটি চা!
পাৰত সজোৱা থাকে মেটেকা ফুলৰ চাকি

*ফোন ঃ ৯৪৩৫০-৫৭৫৯৭*

# ফটো উঠি ভালপোৱা মানুহবোৰ

● লভিতা মেধি

ফটো উঠি ভালপোৱা মানুহবোৰক
ভাল লাগে
তেওঁলোকে সাঁচি থ'ব জানে
জীৱনৰ খণ্ডিত ছবি

তেওঁলোকে ৰ'দ দিলেও ফটো উঠে
বৰষুণ দিলেও ফটো উঠে
দুখতো ফটো উঠে
সুখতো উঠে

তেওঁলোকে ভৱিষ্যতৰ বাবে সাঁচি ৰাখিব বিচাৰে
পুৰণি দিনৰ বাখৰুৱা স্মৃতি
তেওঁলোকে ভাবে চাগৈ
এলবাম মেলিলেই সজীৱ হৈ পৰিব হেৰুওৱা দিনৰ
সোণালী দিনলিপি

ফটোৱে কথা ক'ব
ফটোৱে হাঁহিব
ফটোৱে নিচুকাব জঁয়পৰা জীৱনৰ
সেউজীয়া ছবি

ফটোবোৰো যে আৰু
ফটোবোৰে সাঁচি ৰাখিলেও
চুই চাব নোৱাৰি সেই সময়
ওভোতাই আনিব নোৱাৰি
ফটোত ফটো হৈ থকা
আপোনজনৰ ছবি।

*ফোন ঃ ৭০০২৭-৪৭০৫৮*

# এতিয়াৰ জীৱন

● হীৰক জ্যোতি ডেকা

এতিয়াৰ জীৱন
মৰুভূমিৰ মৰীচিকা,
এতিয়াৰ জীৱন মাথোঁ
ওপচি ৰোৱা শূন্যতা,
এতিয়াৰ জীৱন
চিন্তাৰ শেষ ক্ষণত,
এতিয়াৰ জীৱন
যান্ত্ৰিকতাৰ দলিচাৰ ওপৰত।

এতিয়াৰ জীৱন ঠিকনাবিহীন
এতিয়াৰ জীৱন ভাষাহীন,
এতিয়াৰ জীৱন
মাথোঁ শিল্প,
কঠিন শিলত খটোৱা
দুষ্প্ৰাপ্য ভাস্কৰ্য।

*ফোন ঃ ৮৬৩৮৮-৭৯১৭৫*

# পথিক

● ৰঞ্জিত পাটগিৰি

তুমি ক'লা—
আবেলিৰ বেলিটো হাততে দিয়া,
মই গোটেই আকাশখনে তোমাক দিলো।

বিশ্বাস কৰা
এতিয়া নিজৰ বুলিবলৈ' মোৰ
কোনো আকাশ নাই।

সকলো ৰঙা কাঢ়ি নিয়া পকা বেলিটো
সৰি পৰা ফল।

পালতৰা নাৱত উঠি
মই ঘৰমুৰা পথিক,
বালি চাপৰিত তুমি খেলি আছা
সূৰ্যোদয়ৰ পুৰণি খেল...

*ফোন ঃ ৯৮৫৯৬-১৮২৯৪*

# চোতালৰ মালিতা

● শান্তনু পাতৰ

গাঁওবোৰৰ চিনাকি এখনি চোতাল
তাতে নিৰ্ভেজাল মৰমবোৰ আইতা-ককাই,
মা-দেউতাই চুমাৰে গালে-মুখে লেপি দিয়ে
শৈশৱৰ সোণাৱালী মনবোৰত
অপৈণত কোমল দেহত।
গ্ৰীষ্মৰ ৰূপোৱালী চন্দ্ৰাৱলীৰ নিশা
অচিন দেশৰ প্ৰাচীন সাধুকথাৰে
চোতালখনিত ফুলবোৰ ছটিয়াই
আমোদ দিয়ে ৰং ছটিয়াই কোমল মনত।
শৰতত চোতালৰ দাঁতিত ফুলা শেৱালিজোপাই
আমোলমোলাই সৌৰভ বিলাই
জুইফুল ফুলে চোতালত
ঘৰৰ আটাইয়ে জুইৰ সুবাস গাত সানি
উম লওঁ শীতৰ পুৱা-সন্ধ্যা।
বিস্তৃত আকাশৰ তলত এখনি চোতাল
বিয়া, নাম-পাট সকলো চলে
হাঁহি-ধেমালি জীৱনৰ সময়বোৰৰ স'তে সহবাস কৰা হয়
জীৱনৰ ৰ'দ-ছাঁ, পোহৰ-আন্ধাৰে লুকা-ভাকু খেলে
ওখ ওখ গছ, ঘৰবোৰৰ ছাঁ চোকা ৰ'দক গতিয়াই বহি পৰে।

*ফোন ঃ ৯৬১৩৬-৪৪০৬২*

# বিশৃংখলতাৰ ৰূপান্তৰ

• ইপুল হুছেইন

**বি**শৃংখলতা মানে শৃংখলাবদ্ধতাৰ বিপৰীত বুজা যায়। বিশৃংখলতা বাঢ়ি গ'লে উশৃংখলতাৰ ৰূপ লয়। উশৃংখলতা বিষয়ক ভালেমান লেখা প্ৰায়ে পঢ়িবলৈ পোৱা যায় তাৰ প্ৰতিকাৰৰ উপায়ো দিয়া দেখা যায়, কিন্তু কিমান ফলপ্ৰসু হয় এইটোহে মূল বিষয়। আজিকালি স্কুল-কলেজীয়া তৰুণ-তৰুণীবোৰৰ ভিতৰত আমি যিবোৰ কাম-কাজক উশৃংখল বুলি কৈ থাকো সেইবোৰৰ হ'ল অত্যধিক স্পীডত মটৰচাইকেল চলোৱা আৰু তাৰ ফলত দুৰ্ঘটনাত মৃত্যুপৰ্যন্ত হোৱা, নিচাযুক্ত দ্ৰব্য সেৱন কৰি সমাজ আৰু পৰিয়ালত অশান্তিৰ সৃষ্টি কৰা, শৰীৰত টেটু আঁকি লৈ অমাৰ্জিত সাজপাৰ পিন্ধি দৃষ্টিকটু অৱস্থাত ঘূৰি ফুৰা ইত্যাদি। এইবোৰৰ বিষয়ে বিভিন্ন লেখা পঢ়িবলৈ পোৱা যায়।

এটা কথা মনত ৰখাটো দৰকাৰ যে এটা উশৃংখল আৰু অঘাইতং বয়স আৰু সময় সকলো মানুহৰ জীৱনলৈ আহে আৰু সেই সময়ত বহু কাহিনীৰ জন্ম হয়। মূল বিষয়টো হ'ল এই সময়ত কৰা চিন্তা বা কামবোৰক ইতিবাচক দিশলৈ ৰূপান্তৰ কিদৰে কৰা যায়। কোনোবাই স্পিডত মটৰচাইকেল চলাব জানে তেওঁৰ এই প্ৰতিভাটো মহানগৰৰ ৰাজপথত দেখুৱাবলৈ গৈ দুৰ্ঘটনা হয় কিন্তু সেই একে প্ৰতিভা যদি কোনো প্ৰতিযোগিতাত দেখুৱায় তেনেহ'লে কিন্তু কথাটো নিশ্চয় ইতিবাচক হোৱাৰ সম্ভাৱনা আছে। কোনোবাই টেটু আঁকে বিভিন্ন শৈলীৰে নিজৰ চুলিৰ সজ্জা কৰে বা সাজপাৰ পিন্ধে। এই একেই প্ৰতিভা যদি উচিত ঠাইত দেখুৱাবলৈ যায় তেনেহ'লে তেওঁ ভাল চিত্ৰকৰ আৰু ডিজাইনাৰ হোৱাৰ সম্ভাৱনা আছে ইত্যাদি। সিদিনা এজন নিচাসক্ত ল'ৰাৰ কাহিনী পঢ়ি যথেষ্ট অভিভূত হ'লো, ল'ৰাজন খুব নিচাযুক্ত দ্ৰব্য সেৱন কৰাত লাগি গৈছিল আৰু তাৰ ফলত পৰিয়ালটো থানবান হোৱাৰ দিশে গৈ আছিল। পাছত সেই ল'ৰাজনে শৰীৰ চৰ্চা কৰি নিজক প্ৰতিষ্ঠা কৰি এটা উদাহৰণ হিচাপে জিলিকি উঠিবলৈ সক্ষম হৈছে।

কিছুমান ল'ৰা-ছোৱালীক দেখা যায় ইণ্টাৰনেট গেম্‌ছ লৈ খুবেই ব্যস্ত হৈ থাকে। কথা পাতি গেম খেলি থকা দেখা যায়। আৰু এইবোৰ গেম খেলি খেলি সিহঁত একধৰণৰ পাকৈত হৈ যায়। এই প্ৰতিভাটো যদি গঠনমূলক দিশত ব্যৱহাৰ কৰাৰ বাবে তেওঁলোকক উৎসাহ যোগোৱা যায় তেনেহ'লে নিশ্চয় ইতিবাচক ফলাফল আহিব পাৰে। ৱেবছাইট ডিজাইনিঙকে আদি কৰি এনেকুৱা বহু সৃষ্টিশীল কাম আছে যাক ইণ্টাৰনেটৰ মাধ্যমেৰে কৰা যায়। প্ৰতিভাৰ ৰূপান্তৰ ঘটাই এনেবোৰ কাম তেওঁলোকে কৰিব পাৰে। আজিকালি দেখা যায় কিছুমানে অসমীয়া অভিধান ডিজিটাইছ্‌ট কৰিছে, অসমীয়া পুৰণি গীত, অসমীয়া কিতাপৰ ৱেবছাইট খুলিছে, ই-মাৰ্কেটৰ জৰিয়তে থলুৱা বস্তু বিক্ৰী কৰাৰ ৱেবছাইট খুলিছে ইত্যাদি। এনেকুৱা কাম আৰু হ'ব লাগে যাতে প্ৰতিভাৰ সদ্ব্যৱহাৰ হোৱাৰ লগতে আৰ্থিক দিশতো লাভৱান হোৱাৰ পথ সুচল কৰিব পৰা যায়। এনে কৰিলে নিজৰ নিচাবোৰ পেছাত পৰিণত হৈ এটা ভাল দিশত মন-মগজু আৰু সময়বোৰ নিশ্চয় আগবাঢ়ি যাব। গীত-মাত গাব পৰা, বাদ্যযন্ত্ৰী হ'ব পৰা, নৃত্যশিল্পী হ'ব পৰা, খেলোৱাৰ হ'ব পৰা, লেখক হ'ব পৰা এইবোৰো কিছুমানৰ প্ৰতিভা থকা দেখা যায়, কিন্তু সঠিক সময়ত সঠিক দিশ নোপোৱা বা নিদিয়াৰ কাৰণে সুপ্ত অৱস্থাৰ পৰাই লুপ্ত হৈ যায়। এইবোৰ দিশতো কোনোবাই নিজক বিকশিত কৰিব খুজিলে নিশ্চয় ইতিবাচক ফলাফলৰ দিশে আগবাঢ়িব পাৰিব।

আমি উঠি অহা ল'ৰা-ছোৱালীবোৰক উশৃংখলতাৰ বাবে জগৰীয়া কৰি বহি থাকিলে একো ফল নধৰে। কাউন্সেলিঙৰ জৰিয়তে তেওঁলোকৰ প্ৰতিভা বিকাশৰ দিহা কৰিবলৈ চোৱাটো জৰুৰী আৰু তেওঁলোকক নিজৰ সৈতে পৰিচয় কৰাই নিজৰ প্ৰতিভাৰ সৈতে পৰিচয় কৰাই দিয়াটো জৰুৰী। কিবা নহয় কিবা প্ৰতিভা সকলোৰে থাকে। সেইটো যিয়ে সময়ত চিনি লয় তেওঁৰ প্ৰতিভাই সমাজত, দেশত চাপ থৈ যাবলৈ সক্ষম হয়। দায়িত্বৰ ৰূপান্তৰ কৰাতকৈ বিশৃংখলতাৰ ইতিবাচক ৰূপান্তৰ কৰাটোহে বেছি জৰুৰী আৰু তেনে কৰিলে ইতিবাচক ফলাফল পোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। সম্ভাৱনাৰ বাটেৰেই কৃতকাৰ্যতাৰ খোজবোৰ বাঢ়ি আহে।

অ ণু গ ল্প

# চিঠি

• জয়ন্ত দাস

শব্দটো আজিকালি বেছিকৈ শুনিবলৈ পোৱা নাযায়।আগতে এই শব্দটোতেই জড়িত হৈ আছিল মৰম, অভিমান, আশা-প্ৰত্যাশা, অপেক্ষা ইত্যাদি ইত্যাদি। আনকি জড়িত হৈ আছিল হৃদয় নামৰ ঠুনুকা বস্তুবিধো।

কিন্তু ক'ত জানো হেৰাই থাকিল শব্দটো তায়ো ভবা নাছিল ডাকযোগে তাইৰ নামত এনেকুৱা কিবা এটা আহিব বুলি। ম'বাইলত মেছেজ, ভইচ কল আদিবোৰ অনবৰতে হৈ থকাৰ পিছতো কোনে বাৰু ভাবিব ডাকঘৰৰ কথা ম'বাইলত মৰমৰ আদান প্ৰদান, হা-হুমুনিয়াহ, খং অভিমান এইবোৰটো আছেই তাৰ লগত। আজিকালি প্ৰেমৰ সম্পৰ্ক মানেইতো ম'বাইলৰ সঘন বেটাৰী চাৰ্জ, মিনিটে মিনিটে মেছেজ ট'নৰ শব্দ এইবোৰটো গতানুগতিক ঘটনা। যেন এক দুৰাৰোগ্য বেমাৰ। কিন্তু তাৰ মাজতো ডাকোৱাল আহিছে তাইৰ ঘৰলৈ তাইৰ নামত কিবা এখন আহিছে বুলি গম পাই বুকুখন চেৰেংকৈ উঠিছে তাইৰ। এয়া দেখোন তাইৰ প্ৰেমাস্পদৰ চিঠি। চিঠিখন লৈয়ে বতাহৰ গতিত ৰুমৰ ভিতৰত সোমাই দুৱাৰখন বন্ধ কৰি দিলে তাই।

*ফোন ঃ ৭৮৯৬৬৮১৭৩৯*

**ডাঃ এছ. আহমেদৰ হোমিঅ'পেথিৰ**
**(HOMOEPATHY) এক নতুন দিগন্ত**

**লক্ষণৰ দ্বাৰা সাদৃশ্য হ'লে আৰোগ্য সম্বন্ধে ১০০% নিশ্চিত**

**এইবাৰৰ ৰোগ ঃ স্ত্ৰী অংগৰ আভ্যন্তৰিক ভাগত সৃষ্টি হোৱা ৰোগ "ফাইব্ৰয়েড চিষ্ট বা Endometritis"**



স্ত্ৰী হ'ৰমন ইষ্ট্ৰোজেন আৰু প্ৰজেচটেৰণৰ তাৰতম্যতা, এনিমিয়া বা ৰক্তহীনতা, অত্যাধিক শৌচ কঠিন হোৱাৰ ফলত স্ত্ৰী অংগ সমূহৰ ওপৰত চাপ পৰা, সঘনাই গৰ্ভপাত আদিয়েই এই ৰোগৰ উৎপত্তিৰ কাৰণ বুলি অনুমান কৰা হয়

এইৰোগত আক্ৰান্ত ৰোগীৰ ৰোগ-লক্ষণৰ অৱস্থা, শাৰীৰিক গঠন ও ৰোগাক্ৰান্ত শৰীৰৰ শাৰীৰিক ও মানসিক লক্ষণেৰে সাদৃশ্য হ'লে হোমিও পেথিক চিকিৎসাত এই ৰোগ সম্পূৰ্ণ নিৰ্মূল হয়

**ৰোগাক্ৰান্ত অৱস্থাত ভিন্ন-ভিন্ন ৰোগীৰ ক্ষেত্ৰত প্ৰকাশ পোৱা লক্ষণ সমূহ ঃ** উপযুক্ত বয়সত পুষ্পিতা নোহোৱা বা উপযুক্ত বয়সৰ আগতেই ঋতুস্ৰাৱ বন্ধ হৈ যোৱা ঋতুস্ৰাৱৰ সময়ত খুউব বেছি বিষ হোৱা প্ৰতি ১৫/২০ দিনৰ মূৰে মূৰে ঋতুস্ৰাৱ হোৱা বা প্ৰতি ২/৩ মাহৰ মূৰতহে ঋতুস্ৰাৱ হোৱা জৰায়ুৰ দুৰ্বলতা বা স্থানচ্যুতিৰ ফলত ১০/১৫/২০ দিনলৈকে ৰক্তস্ৰাৱ হৈ থকা বা শৌচ-পেচাব কৰিবলৈ জোৰ দিলেই ৰক্তস্ৰাৱ হোৱা ঋতুস্ৰাৱৰ লগত ক'লা গোটমৰা, টুকুৰা-টুকুৰ অতি দুৰ্গন্ধ ৰক্ত বা পুঁজযুক্ত স্ৰাৱ নিৰ্গত হোৱা ৰক্তস্ৰাৱ বন্ধ হ'লেই খুউব বেছি বগা বা হালধীয়া বা খজুৱতিযুক্ত স্ৰাৱ নিৰ্গত হৈ থকা ঋতুস্ৰাৱৰ সময়ত নাকৰ পৰা ৰঙা বা ক'লা গোটমৰা তেজ ওলোৱা ঋতুস্ৰাৱৰ সময়ত স্তন ফুলি উঠা বা বিষ হোৱা বা খুউব মাথাৰ বিষ হোৱা ঋতুস্ৰাৱৰ সময়ত মৃগী ৰোগৰ দৰে অজ্ঞান হৈ পৰা শৌচ খুউব কঠিন ও সদায় শৌচ নোহোৱা ইত্যাদি ইত্যাদি...

**বিঃদ্ৰঃ — লক্ষণসমূহৰ এটা মাত্ৰ সাদৃশ্য হ'লেই হয়**

যোগাযোগ - ৰোগীসকলে ১ দিনৰ আগতে ফোন কৰি দেখা কৰাৰ সময় জানি ল'ব

**ডাঃ এছ. আহমেদ**
**এছ. এছ. হোমিও ক্লিনিক**
**গনেশগুৰি, গোপাল বৰো হাইস্কুলৰ সন্মুখত, দিশপুৰ, গুৱাহাটী-৬**
**ফোন ঃ 98640-94130, 99548-41808, Jio - 86382-37081**

Postal Regn. No- Tech/RNP/GH-46/2002



# অনাকটা কাপোৰখন






**অ**নাকটা কাপোৰখন আমাৰ সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। অনাকটা মানে হ'ল কোনো অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ নকৰাকৈ তাঁতশালৰ পৰা উলিয়াই অনা কাপোৰ। এই কাপোৰ এবাৰত এখনেই লগোৱাৰ নিয়ম। চাৰি বাটি (জাকি) ব' সূতা নকটাকৈ শালৰ ওপৰতে উঘা বা চেৰেকিত লৈ কাপোৰখন উলিয়াই আনি দুফালৰ ওলমি থকা দহিবোৰ চালে চকুৰোৱাকৈ জালৰ দৰে গুঁঠি পেলোৱা হয়। উকা আৰু ফুলাম দুই ধৰণে এই কাপোৰ বোৱা হয় যদিও ফুলাম কাপোৰৰ জনপ্ৰিয়তা বেছি।

সাধাৰণতে কাতি, পুহ, চ'ত মাহৰ মঙলবাৰ, শনিবাৰ, দেওবাৰ আৰু অমাৱস্যা তিথিত এই বিশেষ কাপোৰবিধৰ বাতি নাকাঢ়ে আৰু নবয়ো। অনাকটা অকল গামোচাই নহয়— ই ধুতি, চেলেং-চাদৰ, শাড়ী, চাদৰ আদি বিভিন্ন হ'ব পাৰে। ভিন ভিন ক্ৰিয়াকৰ্মত ভিন ভিন বস্ত্ৰৰ ব্যৱহাৰ কৰে।

● বিভা দেৱী

ই সংস্কৃতিৰ এক অমূল্য সম্পদ। এটা জাতিৰ সংস্কৃতিয়ে সেই জাতিৰ জীৱন নিৰ্বাহৰ প্ৰণালীক সাঙুৰি লয়। থূলমূলকৈ জনসাধাৰণৰ জীৱন পদ্ধতিয়ে সংস্কৃতি।

গামোচা অসমীয়া সংস্কৃতিৰ এক অন্যতম বাহক। ই অসমীয়া সমাজৰ মৰমৰ কাপোৰ। সাধাৰণতে চাৰিওফালে ৰঙা (অথবা সেউজীয়া) সূতাৰে পাৰি দি বোৱা এখন বগা দীঘলীয়া কাপোৰ। ইয়াক কপাহী সূতাৰে বিশেষকৈ তৈয়াৰ কৰা হয় যদিও পাট, মুগা আদি সূতাৰেও বোৱা হয়। বঙালী, উৰিয়া, বিহাৰী লোকসকলেও নিত্য ব্যৱহাৰ্য সামগ্ৰী হিচাপে গামোচা ব্যৱহাৰ কৰে পিছে অসমীয়া গামোচাৰ লগত তেওঁলোকৰ গামোচাৰ বহু পাৰ্থক্য আছে। আনহাতে অসমীয়াৰ বাবে গামোচাখন এক সন্মানৰ প্ৰতীক। আমি ঘৰলৈ অহা অতিথি বা মেল-মিটিঙৰ সন্মানীয় সদস্যসকলক গামোচাৰে আদৰণি জনাওঁ। নামনিত এই গামোচাক গামোচা, মুকচা, দুহেইটা আদিৰে জনা যায়। নামনি অসমত বহুলভাৱে প্ৰচলিত এবিধ গামচা (গামোচা) হ'ল অনাকাটা গামচা (অনাকটা গামোচা)। এইখন গামোচা কাটি উলিওৱা নহয়। গৰ্ভৱতী নাৰীৰ পঞ্চামৃতৰ পৰ্বৰ দিনাখন পঞ্চামৃত গ্ৰহণৰ সময়ত মহিলাগৰাকীয়ে অনাকটা চাদৰ আৰু পুৰুষজনাই অনাকটা গামোচা পৰিধান কৰাটো এক বাধ্যতামূলক নিয়ম।

নৱজাতকৰ ভূমিষ্ঠৰ পাছত নতুন অনাকটা



কাপোৰ গাত দি আদৰণি জনোৱা হয়।

ঠিক তেনেদৰে অন্নপ্ৰাসনৰ সময়ত সন্তানক ভাত মুখত দিয়াৰ ক্ষণত মাকে অনাকটা চাদৰ অথবা শাড়ী পৰিধান কৰা বিধেয়।

ল'ৰা সন্তানৰ চূড়াকৰণৰ সময়ত শিশুটোক নোওৱাৰ পাছত অনাকটা কাপোৰেৰে গা মচাই, অনাকটা ধুতি ( জোখৰ কৈ বৈ অনা হয়), চেলেং পৰিধান কৰোৱা হয়। মাকে পানী তুলিবলৈ যাওঁতে, গা ধুওৱাৰ ক্ষণত অনাকটা কাপোৰ পিন্ধে।

ছোৱালীৰ কন্যাকালৰ সময়ত চাৰিদিনৰ দিনা নোওৱাৰ পাছত অনাকটা কাপোৰ পিন্ধোৱা এক প্ৰথা আছে। বিয়াৰ দিনা দৰাই অনাকটা গামোচা গাত লয়, বিশেষকৈ নান্দীমুখ শ্ৰাদ্ধ আদিত এই কাপোৰ ব্যৱহাৰ কৰা এক প্ৰকাৰ নিয়মেই। দৰাৰ মাকেও পানী তুলিবলৈ যাওঁতে, দৰা নোওৱাৰ পৰত অনাকটা বস্ত্ৰ পৰিধান কৰে। দৰাক কলপুলিৰ তলত নোওৱাৰ পাছত অনাকটা গামোচাৰে গাৰ পানী টুকি দিয়ে।

এই বস্ত্ৰবিধে অপায়-অমংগল নাশ কৰে বুলি আমাৰ সমাজত এক ধাৰণা প্ৰচলিত হৈ আছে।

বৰ্তমান সময়ত ব্যৱসায় ভিত্তিত শিপিনীসকলে অনাকটা বুলি দুই-তিনিখন কাপোৰ শালত লগাই দহিবোৰ ৰাখি পাছত গুঁঠি দিয়ে। সি যি কি নহওক বাৰু এই কাপোৰখন আমাৰ নামনি অসমৰ লোককলাৰ এক প্ৰতীক। সম্পূৰ্ণ শুদ্ধ অন্তৰেৰে এক ৰুচিবোধ আগত ৰাখি শিপিনীয়ে এই কাপোৰবিধ তৈয়াৰ কৰে। য'ত থাকে মংগলৰ আগলি বতৰা। যিহেতু উৎসৱ-পাৰ্বণৰ লগত এই কাপোৰবিধ জড়িত গতিকে দেখাত আকৰ্ষণীয় হ'লে ভাল।

*ফোন ঃ ৯৯৫৪৯-৮৮৮৭৫*

## উজ্জ্বল বৰণেৰে অতিশয় সুশোভিত অন্যতম পক্ষীকুল: ফিজেণ্ট- ৬ ● তাপস কুমাৰ বৰুৱা

## মাউণ্টেইন পীকক-ফিজে (*Polyplectron inopinatum*)

**এ**ই প্ৰজাতিটোক ৰথচছাইল্ড'চ পীকক-ফিজেণ্ট নামেৰেও জনা যায়। ইহঁত মধ্যাকাৰ প্ৰজাতিৰ ফিজেণ্ট। ইহঁতৰ পাখীৰ ৰং গাঢ় মুগা, পাখীত থকা চকৰ (ocelli)বোৰ সৰু আৰু ফানৰ পাখী যথেষ্ট দীঘল। পুং পক্ষীৰ দেহৰ ঊৰ্ধ্বাংশৰ চকৰবোৰ ধাতৱীয় নীলা হোৱাৰ বিপৰীতে ফানত থকা ২০টা পাখীৰ চকৰবোৰ সেউজীয়া হয়। আনহাতে স্ত্ৰী পক্ষীৰ দেহ আৰু ফানত থকা ১৮টা পাখীৰ বৰণ পুং পক্ষীৰ তুলনাত শেঁতা আৰু চকৰবোৰ ক'লা হয়। মালয়েছিয়াৰ অন্তৰীপৰ পাৰ্বত্য বনাঞ্চল ইহঁতৰ প্ৰধান বাসভূমি। মাউণ্টেইন পীকক-ফিজেণ্ট প্ৰজাতিৰ পুং পক্ষীৰ দৈৰ্ঘ্য প্ৰায় ৬৫ ছেণ্টিমিটাৰ, ফানৰ দৈৰ্ঘ্য ৩২-৪০ ছেণ্টিমিটাৰ, ওজন প্ৰায় ৮০০ গ্ৰাম আৰু স্ত্ৰী পক্ষীৰ দৈৰ্ঘ্য প্ৰায় ৪৬ ছেণ্টিমিটাৰ, ফানৰ দৈৰ্ঘ্যে প্ৰায় ২২-২৭.৫ ছেণ্টিমিটাৰ, ওজন প্ৰায় ৬৫০ গ্ৰাম হয়।



ইহঁতৰ খাদ্য তালিকাত বিভিন্ন পোক-পতংগ, পৰুৱা, উঁই, বিভিন্ন সৰু-সুৰা ফলমূলে স্থান লাভ কৰে। প্ৰজাতিটোৰ স্ত্ৰী পক্ষীয়ে বছৰি ২টাকৈ কণী পাৰে আৰু ১৯-২১ দিনৰ উমনিৰ পাছত পোৱালিৰ জন্ম হয়। পুং আৰু স্ত্ৰী দুয়ো সমিলমিলেৰে দুবছৰলৈ পোৱালিৰ প্ৰতিপালন কৰে। পুং পক্ষীয়ে প্ৰধানতঃ বাহত থকা পোৱালিৰ সুৰক্ষাৰ দায়িত্ব পালন কৰে।

বৈজ্ঞানিক বৰ্গীকৰণ (Scientific Classification)

| | | |
|---|---|---|
| ৰাজ্য (Kingdom) | : | Animalia |
| পৰ্ব (Phylum) | : | Chordata |
| শ্ৰেণী (Class) | : | Aves |
| বৰ্গ (Order) | : | Pelecaniformes |
| গোত্ৰ (Family) | : | Ardeidae |
| গণ (Genus) | : | Ardea |
| প্ৰজাতি (Species) | : | *Polyplectron napoleonis* |

*ফোন ঃ ৯৮৫৪২৫৯৪৮৬*
*ই-মেইল-taposh.boruwah@gmail.com*

ফ্ৰণ্টিয়াৰ পাব্লিকেশ্বনছ প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক শৈলেন্দ্ৰ কোঁৱৰ দত্তৰ হৈ সঞ্চালক ৰাণ্টু দাসৰ দ্বাৰা ফ্ৰণ্টিয়াৰ পাব্লিকেশ্বনছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-১৬ আৰু পি জি (ইণ্ডিয়া) লিমিটেড, পুলিবৰ, যোৰহাট-৬ৰ পৰা প্ৰকাশিতআৰু মুদ্ৰিত
**e-mail : sundaykhabor@gmail.com / khabardesk@gmail.com** ফোন-ফেক্স (যোৰহাট) ঃ ০৩৭৬-২৩৭১৯৩৪, গুৱাহাটী ঃ ০৩৬১-২৪৭৭২৯১, ২৪৭৭২৯২, ২৪৭৭২৯৪, ২৪৭৭২৯৫, ফেক্স ঃ ২৪৭৭২৯৩
অলংকৰণ ঃ পদ্ম সিংহ অংগসজ্জা ঃ ৰমেন দত্ত, শ্বেতা দাস, ডিম্বেশ্বৰ সোণোৱাল, জয়ন্ত তালুকদাৰ
**কাৰ্যবাহী সম্পাদক ঃ বিশ্বজিৎ দাস**